সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17


গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২৫ সংখ্যা, ৪ আহাৰ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪


RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 25 * Date Of Publication - 19 June 2022 Rs.10.00/-

## কালৰূপ ধাৰণ কৰিছে ৰাজ্যৰ বান পৰিস্থিতিয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- কালৰূপ ধাৰণ কৰিছে ৰাজ্যৰ বান পৰিস্থিতিয়ে। ধাৰাসাৰ বৰষুণত বৃদ্ধি পোৱা নৈ-উপনৈৰ জলস্তৰে প্লাৱিত কৰিছে ন ন অঞ্চল। বিভিন্ন স্থানত মথাউৰি ছিগি বাঢ়নী পানীয়ে জলমগ্ন কৰিছে বিস্তীৰ্ণ অঞ্চল। গাঁও-ভূঁই, চহৰ-নগৰ বাঢ়নী পানীয়ে বুৰাই পেলোৱাত ঘৰ বাৰী এৰি বন্যাৰ্তই নিৰাপদ স্থানত আশ্ৰয় ল'বলগীয়া হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৭ খন জিলা বানত প্লাৱিত হৈছে। সমান্তৰালভাৱে ৰাজ্যৰ কেইবাখনো নদী বিপদসীমাৰ ওপৰেৰে বৈছে।ব্ৰহ্মপুত্ৰৰ লগতে বেঁকী, মানস, কপিলী, পাগলাদিয়া, পুঠিমাৰী, জীয়াভৰলীৰ জলস্তৰে বিপদসীমা অতিক্ৰম কৰিছে। চৰকাৰী তথ্য অনুসৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত বানপানীত মুঠ ৯জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰে দুটি শিশু, ছজন পুৰুষ আৰু এগৰাকী মহিলা। তদুপৰি এজন লোক সন্ধানহীন হৈ আছে। কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণত ৰাজ্যত ১৮ লক্ষাধিক লোক বানত আক্ৰান্ত হৈছে। ঘৰ-বাৰী এৰি শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে ১,০৬, ৬৭৬জন লোকে। সেইদৰে বানপানীত প্লাৱিত হৈছে ৪২, ৮১৪ হেক্টৰ কৃষিভূমি। উল্লেখ্য যে বিগত দিনকেইটাত ৰাজ্যৰ বহুকেইখন নদীৰ মথাউৰি ছিগাৰ ফলত ব্যাপক অঞ্চল এইবাৰ ক্ষতিগ্ৰস্ত হোৱা পৰিলক্ষিত হৈছে। তদুপৰি ঠায়ে ঠায়ে সংঘটিত হৈছে ভূমিস্খলন। খাদ্যৰ অভাৱত বন্যাৰ্তৰ লগতে পোহনীয়া জীৱ-জন্তুবোৰেও হহাকাৰ কৰিবলগীয়া হৈছে। বহু স্থানত পশুখাদ্য যোগান নধৰাৰ ফলত বিশেষ সমস্যাৰ সন্মুখীন হৈছে বন্যাৰ্ত। ১৯ জুনৰ পাছত ৰাজ্যত বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। ১৯ জুনত বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যত জাৰি কৰিছে অৰেঞ্জ এলাৰ্ট। বতৰ বিজ্ঞান কেন্দ্ৰই সেই দিনা মধ্যমীয়া বৰষুণ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে।

## কেন্দ্ৰীয় চৰকাৰৰ 'অগ্নিপথ' আঁচনিক লৈ দেশজুৰি প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰৰ 'অগ্নিপথ' আঁচনিক লৈ দেশজুৰি প্ৰতিবাদ। বিতৰ্কিত হৈ পৰা অগ্নিপথ আঁচনিক লৈ বিহাৰৰ শিক্ষাৰ্থীয়ে আৰম্ভ কৰা প্ৰতিবাদে এতিয়া দেশৰ প্ৰান্তে প্ৰান্তে উত্তপ্ত হৈ উঠিছে। বিহাৰত আৰম্ভ হোৱা প্ৰতিবাদ ১১খন ৰাজ্যলৈ বিয়পি পৰিছে। পথ অৱৰোধ, ৰে'লপথ অৱৰোধ কৰা প্ৰতিবাদকাৰীয়ে যান-বাহন, আৰক্ষীৰ বাহনকো লক্ষ্য কৰি লৈছে। কেন্দ্ৰীয় চৰকাৰৰ হঠকাৰী নীতি বুলি অভিহিত কৰি অগ্নিপথ আঁচনিৰ বিৰুদ্ধে বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, পঞ্জাব, ৰাজস্থান, দিল্লী, মধ্যপ্ৰদেশ, উত্তৰাখণ্ড, ঝাৰখণ্ড, তেলেংগানা আৰু শেহতীয়াকৈ পশ্চিমবংগতো প্ৰতিবাদ চলিছে। প্ৰতিবাদত প্ৰধানতঃ ৰে'লপথ অৱৰোধ কৰাৰ লগতে ৰে'ল ষ্টেচন আক্ৰমণৰ ঘটনা বৃদ্ধি পাইছে। তেলেংগানাৰ ছিকন্দৰাবাদৰ ৰে'ল ষ্টেচনৰ অতি কমেও ৫ সহস্ৰাধিক প্ৰতিবাদকাৰী প্ৰৱেশ কৰি যাত্ৰীবাহী ৰে'লৰ দবাত অগ্নিসংযোগ কৰে। প্ৰতিবাদকাৰীয়ে ৰে'ল ষ্টেচনত প্ৰৱেশ কৰি ৰে'লৰ দবাত অগ্নিসংযোগ কৰাৰ সময়ত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰোঁতে আৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত এজন নিহত হোৱাৰ লগতে ১৫তকৈ অধিক প্ৰতিবাদকাৰী আহত হৈছে। প্ৰতিবাদকাৰীয়ে যাত্ৰীবাহী ৰে'লৰ দবাত অগ্নিসংযোগ কৰাৰ সময়ত ৪০তকৈ অধিক যাত্ৰী আছিল যদিও ৰেলৱে বিভাগৰ কৰ্মচাৰী আৰু ওচৰত থকা দবাৰ যাত্ৰীয়ে সহায় কৰাৰ ফলত সকলো যাত্ৰী নিৰাপদে আঁতৰি যাবলৈ সক্ষম হয়। ইপিনে বিহাৰত এখন ৰাখি থোৱা ৰে'লত অগ্নিসংযোগ কৰাৰ পাছত পুনৰ তিনিখন ৰে'লত অগ্নিসংযোগ কৰে প্ৰতিবাদকাৰীয়ে। ৰাজ্যখনৰ উপ-

( দুই পৃষ্ঠাত চাওক)

### সম্পাদকীয়ঃ

## অগ্নিপথ আঁচনি



এফালে বানপানীৰ বিভীষিকা আনফালে অগ্নিগৰ্ভা দেশ। 'অগ্নি পথ আঁচনি', কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ১৪ জুন মঙ্গলবাৰে সশস্ত্ৰ বাহিনীক পৰিৱৰ্তন কৰাৰ উদ্দেশ্যে সমগ্ৰ ভাৰতকে পৰিচয় কৰাই দিয়ে অগ্নিপথ আচঁনিক। এই আচঁনিৰ জড়িয়তে ভাৰতীয় যুৱক-যুৱতী সকলে সশস্ত্ৰ বাহিনীত অগ্নিবীৰ নাম লৈ চাৰিবছৰ সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰিব। ১৭.৫ বছৰ বয়সৰ পৰা ২১ বছৰ বয়সৰ লোকসকলে এই পদৰ বাবে আবেদন কৰিব পাৰিব। তেওঁলোকক ভাৰতীয় স্থলসেনা, বায়ুসেনা বাহিনীত এয়াৰমেন আৰু নৌসেনাবাহিনীত নাৱিক পদত নিযুক্তি দিব আৰু লগতে তেওঁলোকৰ শিক্ষাগত অৰ্হতা দশমৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত নিৰ্দ্ধাৰন কৰা হৈছে। এই আঁচনিৰ উদ্দেশ্য আছিল দেশৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰা আৰু দেশৰ সশস্ত্ৰ বাহিনীসমূহক সময়ৰ সৈতে মিলাকৈ শক্তিশালী ৰূপ দিয়া। কিন্তু দুখৰ বিষয় যে আঁচনিখন ৰূপায়নৰ আনুষ্ঠানিক ঘোষণা কৰাৰ পিছতে সমগ্ৰ ভাৰততে বিয়পি পৰিল দেশজুৰি জুইৰ লেলিহান শিখা। ক'ৰবাত যদি প্ৰতিবাদ কাৰীয়ে যাত্ৰীবাহী ৰেলৰ পৰা যাত্ৰীসকলক নমাই ৰেল জ্বলাই দিছে আন এঠাইত ৰেলষ্টেচনতে অগ্নিসংযোগ কৰিছে। মুঠতে এইসকলক অগ্নিপথ নেলাগে। অগ্নিপথ বাতিলৰ দাবীত এতিয়া ইখনৰ পিছত সিখনকৈ ৰাজ্য জ্বলি উঠিছে।সমগ্ৰ ভাৰততে বিয়পি পৰিছে এই হিংসাত্মক প্ৰতিবাদ। বিহাৰত আৰম্ভ হোৱা এই প্ৰতিবাদ সম্প্ৰতি সমগ্ৰ ৰাজ্যতে বিয়পি পৰিছে। অসমৰো কোনো কোনো ঠাইত চেগা চোৰোকাকে এই প্ৰতিবাদ দেখা পোৱা গৈছে। এই প্ৰতিবাদৰ নামত বহুলোক আহত হৈছে আৰু এজন নিহত হোৱাৰ খবৰো আহিছে।আজিকালি দেখা যায় প্ৰতিবাদৰ নামত আহত, নিহতৰ লগতে অলেখ ৰাজহুৱা সম্পত্তি নষ্ট কৰা। কিন্তু এইয়া জানো এটা সুস্থ প্ৰতিবাদ হ'ব পাৰে? ই জানো এটা সমাধান দিব পাৰে। এইধৰণৰ প্ৰতিবাদে আমাৰ ভৱিষ্যত প্ৰজন্মক বাৰু কিবা সদৰ্থক বাৰ্তা প্ৰেৰণ কৰিবনে ?আহকচোন আমি সকলোৱে এনেধৰণৰ প্ৰতিবাদৰ বিকল্প পথৰ সন্ধান কৰো। কাৰণ দেশৰ সম্পত্তি নষ্ট হোৱা মানে আমাৰ নিজৰ সম্পত্তি নষ্ট হোৱা। কিন্তু এই সকলোবোৰৰ দায়ী আমাৰ চৰকাৰখনেই নহয়নে? মাত্ৰ চাৰিটা বছৰৰ চাকৰি কৰি পিছৰখিনি সময় এইসকলে কি কৰিব সেইটো এটা ডাঙৰ প্ৰশ্ন? তাৰোপৰি এখন চৰকাৰে কিবা এখন আঁচনি ৰূপায়ন কৰাৰ আগতে ভালদৰে ফঁহিয়াই চোৱাতো অতিকৈ প্ৰয়োজন।তেতিয়া দেশৰ লগতে দহৰো উপকাৰ হ'ব আৰু তেতিয়া এইধৰণৰ প্ৰতিবাদৰো উদ্ভৱ নহয়।

# ৰঙিয়াত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাৰ প্ৰতিবাদ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ মধ্যাহ্ন ভোজন কৰ্মচাৰী সকলে বিভিন্ন দাবী সমাধানৰ বাবে আজি এক প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদী ৰন্ধন কৰ্মী সকলে দিনৰ ১১ বজাত ৰঙিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। মধ্যাহ্ন ভোজন আঁচনি বেচৰকাৰী কৰণ বন্ধ কৰা, বকেয়া মাননী অতিশীঘ্ৰে আদায় দিয়া, চাকৰি নিশ্চিত কৰণ কৰা আদিকে কৰি কেইবাটাও দাবী সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে এনেদৰে প্ৰতিবাদ সাব্যস্ত কৰে । হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদকাৰী সকলে প্ৰায় ৪৫ মিনিট সময় এনেদৰে প্ৰতিবাদ সাব্যস্ত কৰাত প্ৰতিবাদস্থলী উপস্থিত হয় ৰঙিয়া ৰাজহ চক্ৰ বিষয়া। চক্ৰ বিষয়া গৰাকী উপস্থিত হোৱাৰ পিচত প্ৰতিবাদকাৰী সকলে এখন স্মাৰক পত্ৰ চক্ৰ বিষয়া গৰাকীৰ জৰিয়তে



ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাৰ কাৰ্য্যকাৰী সভাপতি বিবেকানন্দ অধিকাৰীয়ে সংবাদ মাধ্যমক জানিবলৈ দি কয় যে ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত কৰ্মৰত হৈ থকা মধ্যাহ্ন ভোজন কৰ্মী সকলৰ কথা চিন্তা নকৰি ৰাজ্য চৰকাৰে পুণৰ আঁচনিখন ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিব বিচাৰিছে। আঁচনিখন পূৰ্বতে "অক্ষয়পাত্ৰ" নামৰ এটা বেচৰকাৰী সন্থাক হস্তান্তৰ কৰিব বিচাৰিছিল। ২০১৯ চনত ১৫ টা বেচৰকাৰী সন্থাই কাম আৰম্ভ কৰাৰ লগে লগে ৰাজ্যৰ প্ৰতি খন জিলাতে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছিল । যাৰ ফলত ৰাজ্য চৰকাৰে আঁচনিখন ব্যক্তিগত খণ্ডক দিয়াৰ পৰা বিৰত থাকিব লগীয়া হৈছিল । কিন্তু পুণৰ ৰাজ্য চৰকাৰে মধ্যাহ্ন ভোজন আঁচনিখন ব্যক্তিগতকৰণ কৰিবলৈ বিচাৰিছে । ইতিমধ্যে যোৰহাট জিলাৰ ৪৫০ খন বিদ্যালয়ৰ ২৫ হেজাৰ শিক্ষাৰ্থীক দুপৰীয়াৰ আহাৰৰ যোগানৰ লক্ষ্যৰে অপ্ৰভা এনাৰ্জি নামৰ এটা শক্তি খণ্ডৰ প্ৰতিষ্ঠানে "কেন্দ্ৰীয় ৰন্ধনশালা" নিৰ্মাণৰ প্ৰস্তুতি হাতত লৈছে ৰাজ্য চৰকাৰে। চৰকাৰৰ এনে একপক্ষীয় সিদ্ধান্তৰ বিৰোধীতা কৰি আজিৰ পৰা আৰম্ভ কৰা হৈছে এক ধাৰাবাহিক আন্দোলন। সমগ্ৰ ৰাজ্যৰ মহকুমা আৰু জিলা সমুহৰ সদৰ কাৰ্যালয় সমুহত এনেদৰে প্ৰতিবাদ সাব্যস্ত কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ একোখনকৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰা হৈছে।

# ৰঙিয়াত ৰাষ্ট্ৰীয় বজৰং দলৰ উত্তাল প্ৰতিবাদ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰঙিয়াৰ চ'ছাইটি মুৰাৰাত ৰাষ্ট্ৰীয় বজৰংগ দলৰ উত্তাল প্ৰতিবাদ। পপুলাৰ ফ্ৰন্ট অফ ইণ্ডিয়া চমুকৈ পি এফ আই আৰু কেম্পাচ ফ্ৰন্ট অফ ইণ্ডিয়া চমুকৈ চি এফ আই নামৰ সংগঠন দুটাক নিষিদ্ধ ঘোষণা কৰাৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে ৰাষ্ট্ৰীয় বজৰং দলৰ কৰ্মী সকলে। শতাধিক কৰ্মীয়ে ৰাজপথলৈ ওলাই আহে। সংগঠন টোৰ কৰ্মীয়ে হাতে হাতে ৰাষ্ট্ৰীয়



বজৰংগ দলৰ পতাকা লৈ প্ৰতিবাদস্থলীত জেহাদীৰ পুত্তলীকা দাহ কৰে। প্ৰতিবাদী সকলে সংবাদ মাধ্যমৰ আগত কয় যে পি এফ আই আৰু চি এফ আই সংগঠন দুটাই সমগ্ৰ ভাৰতত জেহাদ বিয়পোৱাৰ কাম কৰি আছে। এই বিষয়ে সবিশেষ তথ্য চৰকাৰৰ হাতত মজুদ আছে। গতিকে চৰকাৰে দুয়োটা সংগঠনকেই অতি শীঘ্ৰে নিষিদ্ধ কৰিব লাগে। যদিহে চৰকাৰে কোনো ধৰনৰ পদক্ষেপ হাতত নলয় তেন্তে অনাগত দিনত তীব্ৰ প্ৰতিবাদ কৰাৰ হুংকাৰ প্ৰদান কৰে সংগঠন টোৰ নেতা গৰাকীয়ে।

# এন এফ ৰে'লৱে এম্প'লয়িজ ইউনিয়নৰ প্ৰতিবাদী কাৰ্যসূচীৰ সামৰণি

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ ৰে'লৱে মন্ত্ৰণালয়ৰ অধীনৰ ৰে'লৱে বৰ্ড'ৰ ফালৰ পৰা শেহতীয়াভাৱে সমগ্ৰ দেশজুৰি ৰে'লৱেৰ সকলো বিভাগ, কাৰখানা, উৎপাদিত গোট আদিত নন চেফটি কেটেগৰীৰ পদৰ ৫০ শতাংশ পদ চিৰদিনৰ বাবে বিলুপ্তিকৰণৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে ৰে'লৱেৰ সৰ্বভাৰতীয় ট্ৰেড ইউনিয়ন নেশ্যনেল ফেডাৰেচন অৱ ইণ্ডিয়ান ৰে'লৱেমেনছ চমুকৈ এন এফ আই আৰ এ । আনহাতে এন এফ আই আৰৰ আহ্বান মৰ্মে দেশজুৰি ৰে'লৱে শ্ৰমিক - কৰ্মচাৰী সকলে ৰে'লৱে বৰ্ডৰ সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি পুনৰ এই সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ দাবী জনোৱাৰ লগতে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে । আনহাতে এন এফ আই আৰৰ আহ্বান মৰ্মে উত্তৰ পূব সীমান্ত ৰে'লৱেৰ সৰ্ববৃহৎ শ্ৰমিক সংগঠন এন এফ ৰে'লৱে এম্প'লয়িজ ইউনিয়নে ৰে'লৱে বৰ্ডৰ সিদ্ধান্তৰ বিৰুদ্ধে পহিলা জুনৰ পৰা আৰম্ভ কৰা সপ্তাহযোৰা প্ৰতিবাদী কাৰ্যসূচীৰ কালি সামৰণি পৰে । এন এফ আই আৰৰ যুটীয়া সাধাৰণ সম্পাদক আৰু এন এফ ৰে'লৱে এম্প'লয়িজ ইউনিয়নৰ কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক মুনীন্দ্ৰ শইকীয়াৰ নেতৃত্বত ইউনিয়নৰ ৫ টা সংমণ্ডল আৰু ৫৬ টা শাখাই



ৰে'লৱে বৰ্ডৰ ৫০ শতাংশ পদ বিলুপ্তিকৰণৰ সিদ্ধান্তৰ বিৰুদ্ধে উত্তৰ পূব সীমান্ত ৰে'লৱেৰ মালিগাঁওস্থিত সদৰ কাৰ্যালয়ৰ সন্মুখৰ উপৰি সাংমণ্ডলিক কাৰ্যালয়, উৎপাদিত গোট, কাৰখানা আদিত ধৰ্ণা, প্ৰতিবাদী সমদল, অৱস্থান ধৰ্মঘটকে ধৰি বিভিন্ন গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে ।

# কেন্দ্ৰীয় চৰকাৰৰ

মুখ্যমন্ত্ৰী ৰেণু দেৱী আৰু ৰাজ্যিক বিজেপিৰ সভাপতি তথা পশ্চিম চম্পাৰনৰ সাংসদ সঞ্জয় জয়ছোৱালৰ বাসগৃহতো আক্ৰমণ চলায় প্ৰতিবাদকাৰীয়ে। উপ মুখ্যমন্ত্ৰী ৰেণু দেৱী আৰু ৰাজ্যিক সভাপতি জয়ছোৱালৰ বাসগৃহত প্ৰতিবাদকাৰীয়ে আক্ৰমণ চলাই বিস্তৰ ক্ষতি কৰিছে। চাচাৰামত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত হোৱা সংঘৰ্ষৰ সময়ত দুৰ্বৃত্তৰ গুলীত এজন আৰক্ষী জোৱান আহত হৈছে। এই ঘটনাৰ পাছতেই পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে লাঠীচালনা, কন্দুৱা গেছ প্ৰয়োগ কৰাৰ পাছত উক্ত স্থানৰ পৰা ৬৬জনক গ্ৰেপ্তাৰ কৰা হৈছে। বিহাৰৰ উপৰি উত্তৰ প্ৰদেশৰ বালিয়া ৰেল ষ্টেচনত পুৰাই প্ৰতিবাদকাৰীয়ে প্ৰৱেশ কৰি এখন ৰে'লৰ দবাত অগ্নিসংযোগ কৰাৰ লগতে ৰে'ল ষ্টেচনটোৰ ক্ষতি কৰে। ৰে'ল ষ্টেচনত কৰ্মৰত আৰ পি এফ জোৱান আৰু নিৰাপত্তা বাহিনীয়ে পিছলৈ প্ৰতিবাদকাৰীক খেদি পঠিয়াবলৈ সক্ষম হয়। ৰাজ্যখনৰ বাৰাণসী, ফিৰোজাবাদ, আমেথি আদিতো ৰাজহুৱা সম্পত্তিৰ ক্ষতি কৰে প্ৰতিবাদকাৰীয়ে। আনপিনে আলিগড়ত বিজেপিৰ স্থানীয় নেতাৰ এখন কাৰত অগ্নিসংযোগ কৰে। ৰাজ্যখনৰ ফিৰোজাবাদত প্ৰতিবাদকাৰীয়ে পথ অৱৰোধ কৰাৰ সময়ত বাছ লণ্ডভণ্ড কৰে। প্ৰতিবাদকাৰীয়ে ৰে'লক আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ বাবেই ৩৫খন ৰে'লৰ চলাচল বাতিল কৰাৰ লগতে ২০০তকৈ অধিক ৰে'ল চলাচলত ব্যাঘাত জন্মিছে। ৰাজধানী নতুন দিল্লীৰ আই টি এত প্ৰতিবাদকাৰীয়ে পৰিস্থিতি উত্তপ্ত কৰি তোলাৰ প্ৰতি লক্ষ্য ৰাখি দিল্লীগেট আৰু জুমা মছজিদ মেট্ৰ' ষ্টেচনৰ সকলো পথ বন্ধ কৰি দিয়া হৈছে। অগ্নিপথ আঁচনিৰ বিৰুদ্ধে বিহাৰকে ধৰি বিভিন্ন ৰাজ্যৰ ৰে'লৰ ওপৰত প্ৰতিবাদকাৰীয়ে চলাই থকা আক্ৰমণ সন্দৰ্ভত উদ্বিগ্নতা ব্যক্ত কৰি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে যুৱকসকলক হিংসাত্মক প্ৰতিবাদ কৰি ৰে'লৱেৰ সম্পত্তি ধ্বংস নকৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰীগৰাকীয়ে কয় যে ৰে'লৱেৰ সম্পত্তিবোৰ দেশৰ সম্পত্তি। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে অগ্নিপথ আঁচনিৰ জৰিয়তে সামৰিক বাহিনী স্থল, নৌ আৰু বায়ুসেনাত চাৰি বছৰৰ কাৰণে ঠিকাভিত্তিক যুৱক নিযুক্তিৰ ঘোষণা কৰিছে। এই আঁচনি অনুসৰি স্থল, নৌ আৰু বায়ু সেনাবাহিনীত ১৭.৫ বছৰ বয়সৰ পৰা ২১ বছৰ বয়সলৈকে যুৱকক ঠিকাভিত্তিক চাৰি বছৰৰ কাৰণে নিযুক্তি দিয়া হ'ব। কেন্দ্ৰীয় চৰকাৰে এই আঁচনি ঘোষণা কৰাৰ পাছতেই বিহাৰৰ পৰা আৰম্ভ হৈ দেশৰ বিভিন্ন ৰাজ্যলৈ এই আঁচনিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আৰম্ভ হৈছে। কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিয়ে যুৱচামৰ ভৱিষ্যৎ ধ্বংস কৰিব বুলি অভিযোগ কৰি আঁচনি প্ৰত্যাহাৰৰ দাবী জনাইছে। আনপিনে কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন বায়ুসেনাৰ মুৰব্বী জেনেৰেল ভি কে সিঙে অগ্নিপথক লৈ দেশজুৰি চলা প্ৰতিবাদ বিৰোধীৰ ভুৱা প্ৰচাৰৰ বাবেই যুৱচামে অংশ লৈছে বুলি দাবী কৰিছে। দেশৰ বিভিন্ন ৰাজ্যত প্ৰতিবাদ চলি থকাৰ মাজতে আজি দেশৰ সেনাৰ মুৰব্বী জেনেৰেল মনোজ পাণ্ডেই অগ্নিপথ আঁচনিৰ অধীনত প্ৰথম অগ্নিবীৰৰ প্ৰশিক্ষণ চলিত বৰ্ষৰ ডিচেম্বৰত আৰম্ভ হ'ব বুলি ঘোষণা কৰাৰ লগতে ২০২৩ চনৰ মধ্য ভাগৰ পৰাই সেনাত সেৱা প্ৰক্ৰিয়া আৰম্ভ বুলি প্ৰকাশ কৰিছে।বায়ুসেনাৰ মুৰব্বী জেনেৰেল ভি কে সিঙে অগ্নিপথক লৈ দেশজুৰি চলা প্ৰতিবাদ বিৰোধীৰ ভুৱা প্ৰচাৰৰ বাবেই যুৱচামে অংশ লৈছে বুলি দাবী কৰিছে। দেশৰ বিভিন্ন ৰাজ্যত প্ৰতিবাদ চলি থকাৰ মাজতে দেশৰ সেনাৰ মুৰব্বী জেনেৰেল মনোজ পাণ্ডেই অগ্নিপথ আঁচনিৰ অধীনত প্ৰথম অগ্নিবীৰৰ প্ৰশিক্ষণ চলিত বৰ্ষৰ ডিচেম্বৰত আৰম্ভ হ'ব বুলি ঘোষণা কৰে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তাৎপৰ্যপূৰ্ণ মন্তব্য

ৰঙিলী বাৰ্ত্তাসেৱা- কেইবাটাও শক্তিশালী নিৰ্বাচনত ৰাজ্যৰ প্ৰধান বিৰোধী ৰাজনৈতিক দল কংগ্ৰেছক পৰাজিত কৰিবলৈ সক্ষম হৈছে বিজেপি মিত্ৰজোঁটে। বহুকেইটা নিৰ্বাচনত মুখথেকেচা খাইছে কংগ্ৰেছে। অসমৰ ৰাজনীতিত এতিয়া বিৰোধী দল কংগ্ৰেছ একপ্ৰকাৰ বিধ্বস্ত হৈ পৰাৰ সময়ত এইবাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰিছে এক তাৎপৰ্যপূৰ্ণ মন্তব্য। মুখ্যমন্ত্ৰী শৰ্মাই বিজেপি আৰু মিত্ৰদল অগপক কংগ্ৰেছ নাই বুলি হাত সাৱটি বহি নাথাকিবলৈ আহ্বান জনায়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত বিশাল জয়লাভৰ পাছত দেওবাৰে নিশা তেজপুৰৰ সন্মিলন কেন্দ্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে, "কাৰ্বি আংলং জিলা নিৰ্বাচনৰ ফলাফল যথেষ্ট ভাল হৈছে। বিজেপি দলে আশা কৰা ধৰণে ফলাফল লাভ কৰিছে। কিন্তু অসমত কংগ্ৰেছ দল এতিয়াও শেষ হৈ যোৱা নাই। কংগ্ৰেছ নাই বুলি হাত সাৱতি বহি নাথাকিব ।কংগ্ৰেছ এটা ৰাষ্ট্ৰীয় দল আৰু ই কেতিয়াও নিঃশেষ হৈ নাযায় ।উল্লেখযোগ্য যে, অহা বিধানসভা নিৰ্বাচনতো কংগ্ৰেছৰ লগতেই বিজেপি মিত্ৰজোঁটৰ প্ৰতিদ্বন্দিতা হ'ব বুলি তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে।

# কামপুৰত ডঃ জগদীশ পাটগিৰি সহ ২৫ জনলৈ বটাসহগ্ৰাম্য শিৰোৰত্ন বঁটা প্ৰদান

ৰঙিলী বাৰ্ত্তাসেৱা- কামপুৰত অসম গৰিয়সী পুথি সংৰক্ষণ আৰু সাহিত্য-সংস্কৃতি বিকাশ মঞ্চই কামপুৰত গ্ৰাম্য শিৰোৰত্ন বঁটা প্ৰদাণৰ লগতে বিশেষ সম্বৰ্ধনা অনুস্থান অনুস্থিত কৰে। ২০০৮ চনত প্ৰতিষ্ঠিত অসম গৰীয়সী পুথি সংৰক্ষণ আৰু সাহিত্য -সংস্কৃতি বিকাশ মঞ্চ, পশ্চিম কাবিং আলং(অসম) য়ে কামপুৰৰ স্বৰাজ ভৱনত আয়োজিত কৰা অনুষ্ঠানত অসমৰ সাহিত্য সংস্কৃতি সুকুমাৰ কলা স্থাপত্য ভাস্কৰ্য্য সমাজ সংগঠক আৰু সাংবাদিকতা আদিৰ দিশত সমাজলৈ বৰঙণি আগবঢ়োৱা ২৫ গৰাকী ব্যক্তিলৈ গ্ৰাম্য শিৰোৰত্ন বটা প্ৰদান কৰে। অনুস্থানটোত



অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ডঃ জগদীশ পাটগিৰি, সাংবাদিক ৰূপ জ্যোতি ভূএগ, বিশিষ্ট সমাজসেৱক, লেখক তথা অসমীয়া গহনা শিল্পী উৎপল বণিয়াকে ধৰি ২৫ গৰাকি অসমৰ বৰেণ্য ব্যক্তিক "অসম গ্ৰাম্য শিৰোৰত্ন বঁটাৰে" বিভূষিত কৰে। এই সভাত সভাখনত উপস্থিত থাকে কামপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সভাৰাম মজুমদাৰ, শ্ৰী মন্ত শংকৰদেৱ সংঘৰ কামপুৰ শাখাৰ সভাপতি স্বৰাজ মোহন বৰা, লিখক প্ৰমোদ বৰা, কামপুৰ কবি সন্মিলনৰ উপদেষ্টা প্ৰৱিন শৰ্মা, কামপুৰ আঞ্চলিক, কবি সন্মিলনৰ সভাপতি গুন কাকতি, মাজুলিৰ সত্ৰীয়া সংস্কৃতিক সাধক দেৱেন চন্দ্ৰ ভূএগ আদি। সভাখনৰ সভাপতিত্ব কৰে গৰিয়সী পুথি সংৰক্ষণ আৰু সাহিত্য-সংস্কৃতি বিকাশ মঅসম গৰিয়সী পুথি সংৰক্ষণ আৰু সাহিত্য-সংস্কৃতি বিকাশ মঞ্চৰ সভাপতি সভাৰাম বৰাই।

# চৰকাৰী বিদ্যালয়ৰ অধ্যক্ষক অন কেমেৰা ধমক শিক্ষামন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- এগৰাকী অধ্যক্ষৰ কথা শুনি খং উঠিল শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ। নগাঁৱত মেট্ৰিকৰ ফলাফল বেয়া হোৱা চৰকাৰী বিদ্যালয়ৰ অধ্যক্ষক ধমক শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ। ডচন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকক অন কেমেৰা ধমক শিক্ষামন্ত্ৰীৰ। উপায়ুক্তক অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ শিক্ষামন্ত্ৰীৰ নিৰ্দেশ। উল্লেখযোগ্য যে, পুৱাতেই নগাঁৱৰ ডচন স্কুলত উপস্থিত হৈছিল শিক্ষা মন্ত্ৰী ৰণোজ পেগু। বিদ্যালয়খনত উপস্থিত হৈ মন্ত্ৰীজনে অধ্যক্ষক প্ৰশ্ন কৰিছিল যে আপোনাৰ বিদ্যালয়খনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত কিয় ফলাফল ভাল কৰা নাই? কিন্তু অধ্যক্ষ গৰাকীয়ে এই প্ৰশ্নৰ দিয়া উত্তৰ শুনি খঙত টিঙিৰিটুলা হৈ পৰিল শিক্ষামন্ত্ৰী ৰণোজ পেগু। কাৰণ শিক্ষা মন্ত্ৰীৰ প্ৰশ্নৰ উত্তৰত অধ্যক্ষ গৰাকীয়ে কৈছিল, 'বিদ্যালয়খনত দুখীয়া মানুহৰ ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰে।' অধ্যক্ষ গৰাকীৰ এনে কথা শুনি শিক্ষা মন্ত্ৰীগৰাকীৰ খং উঠিল। ইয়াৰ পাছতেই শিক্ষা মন্ত্ৰী গৰাকীয়ে অধ্যক্ষ গৰাকীক কয়, 'ননচেন্সৰ দৰে কথা নক'ব। দুখীয়া হ'লে মানুহৰ টেলেন্ট নাইকীয়া হয়



নেকি?' শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে ডচন স্কুলৰ অধ্যক্ষক ধমক দি অধ্যক্ষৰ কন্যা সন্দৰ্ভতো মন্তব্য আগবঢ়ায়। কাৰণ অধ্যক্ষজনৰ কন্যাই এই বেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ব্যক্তিগত খণ্ডৰ বিদ্যালয় খ্ৰীষ্টজ্যোতিৰ পৰা ৰাজ্যৰ ভিতৰতে স্থান লাভ কৰিছিল।

# ২৩ জুনত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস

ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত অসম যুৱ অলিম্পিক আৰু আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ সন্দৰ্ভত বিশদভাৱে অৱগত কৰিবৰ বাবে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ আৰু ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগৰ সঞ্চালক নিবেদন দাস পাটোৱাৰীয়ে যুটীয়াভাৱে গুৱাহাটীত আজি এখন সংবাদমেল আয়োজন কৰে। সংবাদমেলত অহা ২৩ জুনত অসম অলিম্পিক সন্থাই কটন বিশ্ববিদ্যালয়ৰ কে বি আৰ হলত আয়োজন কৰা আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ সন্দৰ্ভত বিশদভাৱে ব্যাখ্যা কৰা হয়। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতিৰ আহ্বানমৰ্মে অসম অলিম্পিক সন্থাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়াৰ সম্পৰ্কত সজাগতা সৃষ্টিৰ বাবে আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ দিনা আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰু আন্তঃমহাবিদ্যালয় ক্ৰীড়া কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। তৰ্ক প্ৰতিযোগিতাৰ বিষয় হ'ল- "Olympic Movement plays a key role in establishing global peace."! সদনৰ মতে, "বিশ্ব শান্তি প্ৰতিষ্ঠা কৰাত অলিম্পিক আন্দোলনে গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে"। তৰ্ক প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা দলকেইটাই ক্ৰমে ৫০,০০০,৩০,০০০ আৰু ২০,০০০ টকাৰ প্ৰাইজমানী লাভ কৰিব। তদুপৰি শ্ৰেষ্ঠ তাৰ্কিকজনে ২০,০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকজনে ১৫,০০০ টকা আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকজনে ১০,০০০ টকাৰ প্ৰাইজমানী লাভ কৰিব। আনহাতে, ক্ৰীড়া কুইজ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা দলকেইটাই ক্ৰমে ৫০,০০০,৩০,০০০ আৰু ২০,০০০ টকাৰ প্ৰাইজমানী লাভ কৰিব। ইফালে, সেইদিনাই অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়াভাৱে ২৩-২৭ জুলাইত আয়োজন কৰা অসম যুৱ অলিম্পিকৰ প্ৰথম কাৰ্যসূচী আৰম্ভ হ'ব। প্ৰথম কাৰ্যসূচী হিচাপে উক্তদিনা অসম যুৱ অলিম্পিকৰ লগো, থীম ছং আৰু টি-ছাৰ্ট মুকলি কৰা হ'ব।

# সংস্কাৰ ভাৰতীৰ 'প্ৰজ্ঞানুসন্ধান'

ৰঙিলী বাৰ্ত্তাসেৱা- সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্তৰ উদ্যোগত পাৰিজাত একাডেমী, পামহি, গড়চুক, অসম আৰু সংস্কাৰ ভাৰতী কামৰূপ মেট্ৰো সমিতিৰ সহযোগত আৰু ৰাজ্যিক সম্পদিকা (মহিলা), সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্ত, মণীষা মজিন্দাৰ বৰুৱাৰ, পৰিকল্পনাত কৰ্মশালা 'প্ৰজ্ঞানুসন্ধান' অনুষ্ঠিত হয়। এই কৰ্মশালা আয়োজন কৰা হয় য'ত বিশেষৰূপে পাৰিজাত একাডেমীত পঢ়ি থকা ছাত্ৰ ছাত্ৰীৰ লগতে তাৰ আশে পাশে থকা আৰ্থসামাজিকভাৱে পিছপৰা ল'ৰা ছোৱালী সকলৰ বাবে দৃশ্য আৰু প্ৰদৰ্শন কলাৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। কৰ্মশালাৰ উদঘাটন কৰে পাৰিজাত একাডেমীৰ প্ৰধান আচাৰ্য উত্তম টেৰণ, এ.এফ.এফ.ডী.চী.ৰ উপাধ্যক্ষ ডঃ আলেক্ষ বৰুৱা, সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্তৰ সাধাৰণ সম্পাদক পুলকেশ বৰুৱা, সমাজকৰ্মী অজয় থাপা আদি উপস্থিত থাকে। এই কৰ্মশালাত প্ৰশিক্ষণ দিয়ে পূজা দত্তৰ দ্বাৰা গীত, দেৱজিৎ ডেকাৰ সহযোগত মূকাভিনয় আৰু ৰূপালী ফান্সুৰ সহযোগত লোক নৃত্য। সমাপন সমাৰোহত এটা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় আৰু তাত সকলো ল'ৰা ছোৱালীয়ে বিভিন্ন লোক নৃত্য গীত আৰু নাট আদি পৰিৱেশন কৰে। মুখ্য অতিথি হিচাপে ডঃ উমেশ চন্দ্ৰ চক্ৰৱৰ্তী, সংঘ পালক, অসম ক্ষেত্ৰ, মঞ্জু বৰা, অধ্যক্ষ সংস্কাৰ ভাৰতী, উত্তৰ অসম প্ৰান্ত, উপস্থিত থাকে। আন অতিথিৰ ভিতৰত উপস্থিত থাকে পুলাকেশ বৰুৱা, সাধাৰণ সম্পাদক, সংস্কাৰ ভাৰতী, কামৰূপ মেট্ৰো সমিতি, ডঃ অসীম বৰা, কাৰ্যকৰী সভাপতি, সংস্কাৰ ভাৰতী, কামৰূপ মেট্ৰো সমিতি, ডঃ বেদব্ৰত শইকীয়া, সাধাৰণ সম্পাদক, সংস্কাৰ ভাৰতী, কামৰূপ মেট্ৰো সমিতি, আদি।

# পূৰ্বৰ দৰে জাক জমকতা নহয় এইবাৰৰ অম্বুবাচী মেলা

ৰঙিলী বাৰ্ত্তাসেৱা- ২২ জুনৰ পৰা শক্তিপীঠ কামাখ্যা ধামত আৰম্ভ হ'ব অম্বুবাচী মেলা। অম্বুবাচী মেলাক লৈ ইতিমধ্যে প্ৰস্তুতি চলাইছে দেৱালয় কৰ্তৃপক্ষৰ লগতে জিলা প্ৰশাসনে। অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণত ব্যস্ত হৈ পৰিছে।এইবাৰ অম্বুবাচী মেলাৰ প্ৰাৰম্ভিক বাজেট ২.৫ কাটি টকা। ২২ জুনৰ মাজনিশা হ'ব অম্বুবাচীৰ প্ৰবৃত্তি আৰু ২৬ জুনৰ পুৱা হ'ব নিবৃত্তি। ২৬ জুনত অন্ত পৰিব অম্বুবাচী মেলা। পূৰ্বৰ দৰে জাক জমকতা নহয় এইবাৰৰ অম্বুবাচী মেলাত। নাথাকিব কোনো ধৰণৰ উদ্বোধনী অনুষ্ঠান। নাথাকিব কোনো ধৰণৰ ভি আই পি, ভি ভি আই পি পাছ। মহানগৰৰ আৱৰ্ত ভৱনত অম্বুবাচী মেলাক লৈ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, অম্বুবাচী মেলা উপলক্ষে ফাঁচীবজাৰত নিৰ্মাণ কৰা হৈছে অস্থায়ী আবাস। ফাঁচী বজাৰৰ পুৰণি কাৰাগাৰত ভক্তৰ বাবে নিৰ্মাণ কৰা হৈছে আবাস। ভক্তৰ বাবে থকা আৰু পাৰ্কিঙৰ সকলো দিশ আলোচনা কৰা হৈছে। পাহাৰৰ ওপৰত এইবাৰ নহ'ব কোনো কেম্প। ৩০ হাজাৰ লোকৰ থকাৰ টাৰ্গেট কৰি ব্যবস্থা গ্ৰহণ কৰা হৈছে। সোণাৰাম ফিল্ডতো থকাৰ লগতে পাৰ্কিং দুয়োটা ব্যবস্থা কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে। এইবাৰ অম্বুবাচী মেলাত স্বচ্ছতাৰ ক্ষেত্ৰত দিয়া হ'ব অধিক গুৰুত্ব। ISBT আৰু দুয়োটা ৰে'লৱে ষ্টেচনত বাছৰ ব্যৱস্থা কৰা হ'ব। প্ৰথম পৰ্যায়ত ৮০খন বাছৰ ব্যৱস্থা কৰা হ'ব, প্ৰয়োজনত বৃদ্ধি কৰা হ'ব। কোনো ভি আই পি আৰু ভি ভি আই পি পাছ নাথাকিব। ৰাস্তাসমূহত ধৰি উঠাৰ বাবে ৰেলিঙত ব্যৱস্থা কৰা হ'ব।

# অপৰিৱৰ্তীত গুৱাহাটীৰ বান পৰিস্থিতি

ৰঙিলী বাৰ্ত্তাসেৱা- বানত বিধ্বস্ত গুৱাহাটী মহানগৰ।অপৰিৱৰ্তীত গুৱাহাটীৰ বান পৰিস্থিতি। ভৰলু নৈ ওফন্দি উঠাত পানী নিষ্কাষণত বিফল প্ৰশাসন। অনিল নগৰ, নৱীন নগৰ, হাতীগাঁও, ৰুক্মিণীগাঁৱত হাহাকাৰ পৰিস্থিতি। অনিল নগৰ, নৱীন নগৰ এতিয়াও পানীৰ তলত।বহু লোকৰ ঘৰৰ ভিতৰত এবুকু পৰ্যন্ত পানী। বানৰ ফলত একাংশ লোকৰ খাদ্যৰ বাবে হাহাকাৰ পৰিস্থিতি।ঠায়ে ঠায়ে প্ৰশাসনে যোগান ধৰিছে খাদ্য-সামগ্ৰী, অন্যান্য সাহায্য। ভঙাগড়ত স্থাপন কৰা হৈছে আশ্ৰয় শিবিৰ। বহু ঠাইত মঙলবাৰৰ পৰা নাই বিদ্যুত সেৱা। SDRFএ অব্যাহত ৰাখিছে উদ্ধাৰ অভিযান।

৪ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 19 June, 2022

# গুৱাহাটী মহানগৰীৰ বানপানী

**ফখৰুদ্দিন আহমেদ, ছিপাঝাৰ**



হাই স্কুলীয়া জীৱনত পৰীক্ষাৰ বাবে বিশেষকৈ “অসমৰ বানপানী” নামৰ ৰচনাখনি মুখস্থ কৰা বৰ ভালকৈ মনত আছে। পিছলৈ মই মেট্ৰিক পৰীক্ষা দিয়া ইং ১৯৮৮ চনত অসমত বৰ ডাঙৰ বানপানী হৈছিল। আমি পোন প্ৰথমবাৰৰ বাবে ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত নৈনে নদীৰ পুব পাৰৰ মথাউৰিত অস্থায়ী ৰূপে তৈয়াৰ কৰি লোৱা ঘৰত অৱস্থান কৰি প্ৰায় ১৫ ২০ দিন মান অতি কষ্টৰ মাজেৰে পৰিয়াল সহ জীৱন যাপন কৰিব লগা হৈছিল। আমাৰ অঞ্চলৰ দক্ষিনে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰে থকা ৰঙামাটি কুৰুৱা ব্ৰহ্মপুত্ৰ মথাউৰিটোত থকা তিনি খন দৰ্জা যুক্ত শ্লুইজ গেট খন সহ সেই অংশৰ মথাউৰিটো সেই চনটিতে ভাঙি যোৱাত ইং ২০০৪ চনটিলৈ ব্ৰহ্মপুত্ৰৰ সৈতে অঞ্চলটিৰ সম্পৰ্ক মুকলি হৈ থকাত প্ৰায় ১৬ বছৰত বহু কেইটা বানপানীৰ তিক্ত অভিজ্ঞতাৰ কথা এতিয়াও মোৰ মানস পটত জল্ জল্ পট্ পট্ হৈ আছে। আমাৰ অঞ্চলটিৰ ৰাইজৰ বানপানীৰ সৈতে সহাৱস্থান কৰি জীৱন জীবিকা বৰ্তাই ৰখাৰ ক্ষমতা প্ৰাকৃতিক ভাবে লাভ কৰিছে বুলি ক'লে ভুল কোৱা নহ'ব। প্ৰায় পৰিয়ালৰে নৌকা আছে, ডেকা বুঢ়া, লৰা ছোৱালী সকলোৱে সাতুৰিব পাৰে, সৰু ডাঙৰ সকলোৱে নৌকা চালনা কৰিব পাৰে ইত্যাদি।

পৰীক্ষাত কৃতকাৰ্য হ'বলৈ মুখস্থ কৰা অসমৰ বানপানীৰ ৰচনা আৰু বাস্তৱ জীৱনত লাভ কৰা বানপানীৰ অভিজ্ঞতা যে একে নহয় আৰু কেতিয়াও একে হ'ব নোৱাৰে সেয়া বিতৰ্কৰ উৰ্দ্ধত বুলি সকলোৱে নিশ্চয় একে মুখে স্বীকাৰ নকৰি নোৱাৰিব। সাম্প্ৰতিক সময়ত আমাৰ অঞ্চলত মানে ছিপাঝাৰৰ দক্ষিন পশ্চিম অঞ্চলত বানপানীৰ সমস্যা পূৰ্বৰ দৰে নাই।

নকৈ নোৱাৰি যে কেইবা বছৰ মানৰ পূৰ্বৰ পৰা অসমত যেন সঁচাকৈয়ে বৰষুণৰ মাত্ৰা বেছিতকৈ বেছি হৈ আহিছে। সাম্প্ৰতিক সময়ত অসমৰ বিভিন্ন ঠাইত সচৰাচৰ ব্ৰহ্মপুত্ৰ আৰু উপনৈ সমূহৰ বাঢ়নী পানীয়ে ভয়াবহ বানপানীৰ সৃষ্টি কৰাৰ সলনি বৰষুণৰ পানীয়েহে অসমৰ বিভিন্ন চহৰ নগৰ সমূহত কৃত্ৰিম বানপানীৰ সৃষ্টি কৰি বাসিন্দা সকলৰ জীৱনলৈ বিপদ সংকুলতা কঢ়িয়াই আনিবলৈ ধৰিছে। এইক্ষেত্ৰত অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটী মহানগৰীৰ বানপানীৰ পৰিস্থিতি আটাইতকৈ বিপদজনক হৈ পৰিছে। গুৱাহাটী মহানগীৰ কৃত্ৰিম বানপানীত ইতিমধ্যে প্ৰতি বছৰে অনাকাংখিত ভাবে মৃত্যুক সাবতি লৈছে বহুজনে।

( আঠপৃষ্ঠাত চাওক)

# সচাঁকৈয়ে চিন্তনীয়

**মানসী মিশ্ৰ**




গুৱাহাটী মহানগৰীত চৈধ্য জুন তাৰিখটোত বান আৰু ভূমি স্খলনত পাঁচজন মানুহে অকাল মৃত্যু ক সাৱটিব লগীয়া হ'ল। সচাঁকৈয়ে পৰিতাপ ৰ কথা। শোৱাপাটীতে চকু মুদি লে চিৰদিনৰ বাবে এই পাঁচ গৰাকী ব্যক্তিয়ে। ইয়াৰ আগতেও অৰ্থাৎ তিনি চাৰিবছৰ মান আগতে মহানগৰীৰ বিভিন্ন এলেকাত এইদৰে বৰষুণে সৃষ্টি কৰা বানপানী ত একেটা দিনতে অকাল মৃত্যু ক সাৱটি লবলগীয়া হৈছিল। তাৰ আগতে জুৰোড তিনি আলিত দুজন ফুলকুমলীয়া ছাত্ৰ ই অতি কৰুণ ভাৱে মৃত্যু ক সাৱটি ব লগীয়া হৈছিল। হয়তো মহানগৰবাসীৰ মনত আছে উপামণি চৌধুৰী নামৰ সুন্দৰ সুঠাম চেহেৰা মহিলা গৰাকীয়ে সেই দিনটোত দেউতাকৰ বছৰেকীয়া শ্ৰাদ্ধ ৰ বাবে মাতৃৰ ঘৰলৈ গৈছিল। সন্ধিয়া ঘৰলৈ ওভোতাৰ পথত বৰষুণ ৰবানত উটি গৈছিল বহুজনৰ চকুৰ সমুখতে ।পিছদিনাখন তেখেতৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল পল্টন বজাৰ ৰ নন্দন হোটেল ৰ সমীপৰ এটি নলাৰ পৰা। কিমান যে কৰুণ আছিল সেই দৃশ্য। টিভিৰ পৰ্দাতেই প্ৰত্যক্ষ কৰি মোৰ দুচকু ভৰি গৈছিল। আজিও সেই কথাবোৰ মনত পৰিলে দুচকু সেমেকি উঠে। এইসমূহ কেইবছৰ মান আগৰ কথা। এতিয়া যেন এয়া নিয়মীয়া ঘটনাতেই পৰিণত হ'ল। জুন জুলাই মাহত হোৱা বৰষুণ মহানগৰী পানীৰ তলত থাকিব আৰু প্ৰতি বছৰে কেইগৰাকী মান নিৰীহ ব্যক্তিৰ মৃত্যু হব। ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হ'লে চৰকাৰী প্ৰশাসন দুদিন মানলৈ কিছু সচেতন। দূৰ্ভোগ ভোগা ৰাইজলৈ কিছু সাহায্য সামগ্ৰী বিতৰণ। তাৰ কিছুদিন পিছত ৰ'দ ওলালে পানী শুকাব আৰু সকলো পুনৰ নিচাৰ মাৰিব। এইদৰেই বছৰৰ পিছত বছৰ পাৰ হৈছে কিন্তু কোনো সমাধান সূত্ৰ আজিকোপতি ওলোৱা নাই। এয়া যেন পুৰণি বেমাৰ। ৰোগীয়ে তেনেদৰে ভুগি আছে, নিৰাময়ৰ বাবে কোনো চিন্তা কৰা নাই ।

লাহে লাহে দেখা গৈছে যে এই বৰষুণ ৰ ফলত হোৱা বানপানীৰ সমস্যাটো কেৱল মহানগৰীৰে সমস্যা হৈ থকা নাই ।অসমৰ প্ৰায়বোৰ চহৰ নলবাৰী, মঙ্গলদৈ, ধুবুৰী, তিনিচুকীয়া, ডিব্ৰুগড়, শিলচৰ, টিহু, পাঠশালা, বৰপেটা আদি নগৰৰ লোকসকলেও একেদৰেই জীয়াতু ভুগিব লগীয়া হৈছে। সকলোৰে একেই যন্ত্ৰণা, একেই অসুবিধা। গতিকে এয়া আমাৰ ৰাজ্যখনৰ উমৈহতীয়া সমস্যা হ'ল ।সকলো ৰাইজৰ যথেষ্ট সজাগ আৰু সচেতন হবৰ হ'ল । ইয়াৰ লগে লগে আমাৰ জনপ্ৰতিনিধি সকল । তেওঁলোকৰ যথেষ্ট খিনি দ্বায়িত্ত্ব আছে। নিজৰ সমষ্টিৰ উন্নয়নৰ হকে শকত পূঁজি থাকে। সৰ্বসাধাৰণ ৰাইজৰ সুখ, দুখ, নিৰাপত্তাৰ কথা চিন্তা কৰি এই বিষয়টো অধিক গুৰুত্ব

( আঠপৃষ্ঠাত চাওক)

# বিয়লি বেলাৰ উপহাৰ

**শ্যামলী বৰা, দেৰগাঁও**



মুম্বাই মহানগৰীৰ কোনোবা এটা কোণৰ বিশমহলীয়া অট্টালিকাটোৰ ছাঁদত বহি কথা পাগুলি থকাটো আজি-কালি সুমিত্ৰাৰ অভ্যাস। সময়বোৰ নেযাই- নুপুৱায়। বয়স বাঢ়ি অহাৰ বাবে কাম-বনবোৰো বৰকৈ কৰি থাকিবলৈ মন নাযায়। একাপ চাহ আৰু এখন আলোচনীয়েই আবেলি সময়ত সুমিত্ৰাৰ লগ। মায়ানগৰীৰ এপাৰ্টমেণ্টৰ এই চতুৰ্থ মহলাৰ নিৰলস সময়খিনিত সৌ দূৰৈৰ আলিটোলৈ চাই চাই ভাবনাবিভোৰ হৈ পৰে তেওঁৰ মনটো। কেতিয়াবা হাতৰ আলোচনীখনৰ পঢ়ি থকা পৃষ্ঠাটোত সোঁহাতৰ তৰ্জনী আঙুলিটো সুমাই কোঁচতে জপোৱাৰ দৰে লৈ বহি থকাৰ পৰাই ব্যস্ত মহানগৰীখনৰ যিমানলৈকে দেখা পোৱা যায় সিমানলৈকে চায়। মায়ানগৰীৰ যান্ত্ৰিক আবেলিটোৰ মাজত নিজৰ দুচকু গুজি দিয়ে গতানুগতিকভাৱে। প্ৰযুক্তিয়েযে জীৱনটো ক'ৰ পৰা আনি ক'ত পোৱালেহি! ভাবিয়েই আচৰিত লাগে সুমিত্ৰাৰ। চকুৰ আগতেই সলনি হৈ গ'ল গোটেই পৃথিৱীখন। কেইবাটাও যুগ পাৰ হৈ গ'ল যেন জীৱনৰ ওপৰেদি। বিয়া হৈ আহি এসোপামান সদস্যৰে ভৰা এটা যৌথ পৰিয়াল, তাৰ পাছত মহাবিদ্যালয়ৰ চাকৰি জীৱনত লগ পোৱা সহকৰ্মীসকল, নিজৰ সংসাৰৰ দায়িত্ব আদিৰ ব্যস্ততাত মূৰ তুলিবলৈ সময় নোপোৱা মানুহজনীক সময়ে আনি অকলশৰীয়া কৰি মহানগৰীৰ অট্টালিকাৰ ছাঁদত অকলশৰীয়াকৈ বহুৱাই ৰাখিছেহি। হঠাৎ এটা অৰ্থপূৰ্ণ হাঁহি সুমিত্ৰাৰ ওঁঠদুখনৰ মাজতে লাগি ৰ'ল। পৰিবৰ্তনৰ পাছতো কিন্তু এটা কথাত সুমিত্ৰাই সময়ৰ মিল বিচাৰি পালে। সেই ত্ৰিশ বছৰৰ আগৰ জীৱনৰ সতে। তেতিয়া সুমিত্ৰাই এনেকৈ বাটলৈ চাই ৰৈছিল পুতেক ৰমা স্কুলৰ পৰা ঘুৰি অহালৈ। আজিও ৰৈ আছে পুতেকলৈ বাট চায়েই। মাত্ৰ প্ৰাৰ্থক্য হ'ল -আজি ৰমা স্কুলৰ পৰা নহয়, সুদীৰ্ঘ চাৰিবছৰৰ পাছত জাৰ্মানীৰ পৰাহে--- দাৰ্জিলিঙৰ এটা অভিজাত পৰিয়ালত ডাঙৰ হোৱা সুমিত্ৰাৰ জীৱনৰ লেখটো তেনেই সৰল ৰৈখিক। তেওঁ আছিল দৰ্শনৰ ছাত্ৰী। চাকৰিসূত্ৰে গুৱাহাটীৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰ প্ৰবক্তা। তেওঁৰ স্বামী গুৱাহাটীৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক। ৰমা তেওঁলোকৰ একমাত্ৰ সন্তান, যি এতিয়া এজন

( নপৃষ্ঠাত চাওক)

# Soldiers

**-Nitishman Das**



Soldiers are the one who can fight,
And give the country justice and right.
We can see their war on the film's reel,
But in the reality we can feel.
They are the one who sacrifice,
But they can't leave the country for a twice.
They sacrifices with their precious blood,
If they disappear then the country on en-
emies flood.
The war can't make them fear,
But they have to leave family whole year.
They have the order,
To go to the border.
Kids salute them while going to border and
it's tower,
Our salute give them strength and power.
Soldier is our country's pride,
And respect the martyr's who died.

# অসমৰ বন্যাৰ্তলৈ বলীউডৰ তাৰকাৰ সাহায্য

ৰঙিলী বাৰ্তাসেৱা- অসমৰ বন্যাৰ্তলৈ বলীউডৰ তাৰকাৰ সাহায্য। অসমৰ বানপীড়িত লোকসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিল বলীউডৰ অভিনেতা অৰ্জুন কাপুৰ আৰু পৰিচালক ৰোহিত চেট্টী। উল্লেখযোগ্য যে, অভিনেতা অৰ্জুন কাপুৰ আৰু পৰিচালক ৰোহিত চেট্টিয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ালে ৫ লাখ টকা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টুইটযোগে সদৰী কৰিছে এই কথা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টুইট কৰি কয়,



"বলীউড অভিনেতা অৰ্জুন কাপুৰ আৰু পৰিচালক ৰোহিত চেট্টীয়ে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ৫ লাখ টকা অৰিহণা যোগাইছে। তেওঁলোকৰ উদ্বেগ আৰু উদাৰতাৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাইছো।"


# গুৱাহাটী-শিলচৰৰ মাজত বিশেষ বিমান সেৱাৰ ব্যৱস্থা

ৰঙিলী বাৰ্তাসেৱা- নেৰা-নেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা শেহতীয়া বান পৰিস্থিতি আৰু ভূমিস্খলনৰ বাবে বৰাক উপাত্যকাৰ সৈতে যোগাযোগ ব্যৱস্থাত বাধাৰ সৃষ্টি হৈছে। ইয়াৰ বাবে গুৱাহাটী আৰু শিলচৰৰ মাজত যাতায়াতৰ সুবিধাৰ বাবে অসম পৰ্যটন উন্নয়ন নিগমে (এটিডিচি) বিশেষ বিমান সেৱাৰ ব্যৱস্থা কৰিছে। ফ্লাই বিগৰ সহযোগত এটিডিচিয়ে১৮ আৰু ১৯ জুনত গুৱাহাটীৰ পৰা শিলচৰলৈ সন্ধিয়া ৬ বজাত আৰু শিলচৰৰ পৰা গুৱাহাটীলৈ সন্ধিয়া ৭-১০ বজাত এই বিমান সেৱাৰ ব্যৱস্থা কৰিছে। ২০ জুনৰ পৰা গুৱাহাটীৰ পৰা শিলচৰলৈ পুৱা ৭-৪৫ বজাত আৰু শিলচৰৰ পৰা গুৱাহাটীলৈ পুৱা ৮-৫৫ বজাত এনে বিমান সেৱাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে শিলচৰত জিলা উপায়ুক্তৰ কাৰ্যালয়ত এই বিমান সেৱাৰ বাবে টিকটৰ বিশেষ কাউণ্টাৰৰ ব্যৱস্থা কৰা হৈছে। সেইদৰে গুৱাহাটীৰ পল্টন বজাৰৰ পৰ্যটন ভৱনৰ ৰে'ড ৰিভাৰ ট্ৰেভেলছত (এটিডিচিৰ ইউনিট) ইচ্ছুক যাত্ৰীসকলে টিকট কাটিব পাৰিব। এই টিকটৰ হাৰ ৪ হাজাৰ টকা। যাত্ৰীসকলে ৮১৩৫৯-০২৯৭৩নম্বৰত ফোন কৰি বা atdcflightservice@gmail.com তই মেইল কৰিও টিকট বুক কৰিব পাৰিব। টিকট বুক কৰাৰ বাবে নগদ/কাৰ্ড/ইউ পি আই যোগে ধন আদায় দিব পাৰিব। ৮১৩৫৯-০২৯৭৩ নম্বৰত ইউ পি আই পেমেণ্ট/গুগোল পে' যোগে ধন আদায় দিব পাৰিব।




# গ্ৰাম্য পৰিৱেশ, বাৰিষাৰ ৰোগ আৰু তাৰ প্ৰতিকাৰ

ডাঃ যুতিকা ওজা
অধ্যাপিকা, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



স্বাস্থ্যই পৰম ধন, স্বাস্থ্য ভালে থাকিলেহে জীৱনৰ মুল পাব পাৰি, কবিৰ ভাষাও- অনুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ সচা কথা- গা ভালে থাকিলেহে শান্তিত থাকিব পাৰি। স্বাস্থ্য বুলিলে সৰলভাষাত নিৰোগী অৱস্থাকে স্বাস্থ্য বোলে। কিন্তু সেয়া হলেও বৰ্ত্তমান যুগৰ এজন লোক শাৰীৰিক, মানসিক তথা সামাজিক ভাৱে সুস্থ হ'লেও তেখেতক সম্পূৰ্ণ সুস্থ বুলি গন্য কৰা হয়। এটা কথা ঠিক যে শৰীৰ ভালে নাথাকিলে মনো ভাল নাথাকে। ৰোগত আক্ৰান্ত হ'লে কেৱল যে ৰোগীৰ হে কষ্ট হব এনে নহয় ৰোগীৰ লগতে ঘৰৰ বাকী সদস্য সকলোৰে বহুত কষ্ট তথা অসুবিধা হয়। আৰ্থিক দিশৰ কথাতো বেলেগেই, দেহা থাকিলেহে বেহা। স্বাস্থ্য ভাল থাকিলেহে কাম কৰিবলৈ মন যায় বা কামত মন দিব পাৰি। ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে, ৰোগসমূহৰ প্ৰতিকাৰ আৰু প্ৰতিৰোধৰ বাবে কেনে ধৰণৰ উপায় আছে বা কোন সময়ত এই ৰোগ হব পাৰে তাৰ বিষয়ে আগতীয়াকৈ জানিলে বহুত সুবিধা হয়। দেখা যায় যে সময় সাপেক্ষে ৰোগৰ পাৰ্দুভাৱ কম বেছি হয়। শীতকালত কিছুমান ৰোগৰ পাৰ্দুভাৱ বেছি আৰু বাৰিষা কালত আন কিছুমান ৰোগৰ পাৰ্দুভাৱ বেছি। দেখা যায় যে বাৰিষা কালত হোৱা ৰোগসমুহ চহৰ অঞ্চলতকে গ্ৰম্য অঞ্চলত বেছিকৈ হয়। এনে সময়ত (বাৰিষা কালত) পানীৰ দ্বাৰা বা কীট পতংগ, মহ মাখি আদিৰ দ্বাৰা বিয়পা ৰোগসমূহ বেছিকৈ দেখা যায়, চহৰ অঞ্চলতকে গাঁও সমূহত বৰষুণৰ বাবে বা বানপানীৰ বাবে খোৱা পানীৰ উৎস সহজে দুষিত হয় বা যতে ততে থকা আৱৰ্জনাৰ বাবে বিভিন্ন ৰোগে দেখা দিয়ে, গাঁওত এতিয়াও বহুতো মানুহে খাবৰ বাবে কুৱা, পুখুৰী বা নিজৰা আদিৰ পানী ব্যৱহাৰ কৰে, গতিকে বাৰিষা বৰষুণৰ বাবে এনে পানীৰ উৎস সমূহ দুষিত হোৱাৰ সম্ভাৱনা বেছি, সেইদৰে এই দুষিত পানী পৰিশোধন নকৰাকে খালে বিভিন্ন ৰোগ হোৱাৰ সম্ভাৱনাও বেছি। আমি সকলোৱে জীৱনৰ কোনাবা নহয় কোনাবা এটা সময়ত ডায়েৰিয়াৰ দ্বাৰা আক্ৰান্ত হৈছো। এই ৰোগ দুষিত পানী সেৱনৰ ফলত হয়। ইয়াৰ উপৰিও ডিচেণ্ট্ৰী, কলেৰা, হেপাটাইটিছ-এ, টাইফয়েড, বিভিন্ন প্ৰকাৰৰ পলু (ঘুৰনীয়া পলু, ফিটা পলু) ৰোগৰ কাৰণো এই দুষিত পানী সেৱন। সৰু ল'ৰা ছোৱালী ডায়েৰিয়াৰ দ্বাৰা সহজে আক্ৰান্ত হয় আৰু এই ডায়েৰিয়াই বৰ্ত্তমানো পাচ বছৰ বয়সৰ তলত শিশুৰ মৃত্যুৰ এক অন্যতম কাৰণ।

অকল বাৰিষাৰ সময়তেই নহয়, সকলো সময়তে বিশুদ্ধ পানী খাব লাগে, মন কৰিব লগীয়া যে দেখাত পৰিস্কাৰ হলেই পানী বিশুদ্ধ নহবও পাৰে। আজিকালি পানী পৰিশোধন কৰিবলৈ বিভিন্ন আহিলা পোৱা যায়। তাৰ ভিতৰত ফিলটাৰ ব্যৱহাৰ কৰাতো বহুতকে দেখা যায়। বহুতে পানী গৰম কৰি লয়, বিশুদ্ধ পানী পাবলৈ হলে পানী উত্তলাই গৰম কৰিব লাগে, খোৱাপানীত উৎসসমূহত পানী নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ব্লিচিং পাউডাৰৰ দ্বাৰা সাধন কৰা উচিত, ইয়াৰ বাবে ওচৰৰ স্বাস্থ্যকেন্দ্ৰৰ পৰাও পৰামৰ্শ লব পাৰি। ঘৰৰ চৌপাশ পৰিস্কাৰ পৰিচন্ন হৈ থকা উচিত। চাব লাগে যাতে কোনো ধৰণৰ আৱৰ্জনাৰ দম ঘৰৰ ওচৰত নাথাকে, এই আৱৰ্জনাই কীট পতংগত উৎপত্তিৰ স্থল। বাৰিষা পানীত এই আৱৰ্জনা সিচৰিত হয় ফলত দুৰ্গন্ধৰ সৃষ্টি হোৱাৰ ওপৰিও বিভিন্ন ৰোগৰ উৎস হৈ পৰে। বহুতে সৰু লৰা ছোৱালীৰ পায়খানা ঘৰৰ ওচৰতে দলিয়াই দিয়ে তেনে কৰা উচিত নহয়। ঘৰৰ শৌচালয়তে পেলাব লাগে, বৰষুণৰ বাবে ঘৰৰ চৌপাশে পানীত ডোঙা বান্ধিব পাৰে, এই পানীৰ ডোঙাবিলাকত মহে কণী পাৰে, ফলত মহৰ সংখ্যা বৃদ্ধি পায়, সেইবাবেই বাৰিষাকালত মহৰ দ্বাৰা সংক্ৰমিত ৰোগসমূহ যেনে মেলেৰিয়া, ডেংগু, জাপানিজ এনকেফেলাইটিচ লগতে নতুনকৈ লাইম (Lyme Disease) জিকা ভাইৰাচ ৰোগ আদিৰ পদুৰ্ভাৱ বাঢ়ে। এটা সময় আছিল যেতিয়া মেলেৰিয়াই এক মহাপ্ৰলয়ৰ ৰূপ লৈছিল। এতিয়া মেলেৰিয়া ৰোগীৰ সংখ্যা কমিছে যদিও সম্পূৰ্ণ নিৰ্মূল হোৱা নাই। সেইবাবে মহৰ কামোৰৰ পৰা পৰিত্ৰাণ পাবলৈ সন্ধিয়া ধূনা দিয়া আৰু ৰাতি আঠুৱা ব্যৱহাৰ কৰা অতি প্ৰয়োজন আজিকালি মহ মৰাৰ বাবে বজাৰত বেলেগ বেলেগ ধৰণৰ ৰিপেলেন, মহ মৰা ধুপ ব্যৱহাৰ কৰা হয়, সময়ে সময়ে চৰকাৰৰ দ্বাৰাও ৰাজহুৱা ভাবে ধোৱা দিয়াৰ (fogging) কৰা হয়। বিশেষকৈ বাৰিষা আৰম্ভ হোৱাৰ আগতে এই ব্যৱস্থা লব লাগে। আজিকালি ঔষধযুক্ত আঠুৱাও পোৱা যায়। ঘৰৰ চৌপাশৰ লগতে ভিতৰখনো পৰিস্কাৰ পৰিচন্ন কৰি ৰখাতো আমাৰ কৰ্ত্তব্য, বাৰিষা বৰষুণৰ বাবে ঘৰৰ ভিতৰত নিগনি, এন্দুৰ, পইতাচোৰা আদিৰ সংখ্যা বৃদ্ধি পোৱা দেখা যায়। বহু সময়ত নিগনিয়ে ঘৰৰ ভিতৰত গাত খান্দে, নিগনিয়ে কেৱল কাগজ বা কাপোৰহে কুটে এনে নহয়, বৰ্ত্তমান দেখা দিয়া ৰোগ লেপ্ত স্পাইৰচিচাৰো বাহক হল নিগনি।

(আঠপৃষ্ঠাত চাওক)

# The Arrogance (আত্মশ্লাঘা)

দেৱীকা বৰপূজাৰী, মুম্বাই



বহুদূৰ বাটকুৰি বাই এটা সময়ত কালিদাসে হাবি পাৰ হৈ এখন গাওঁত প্ৰৱেশ কৰিলে। তেওঁ তৃষ্ণাতুৰ হৈ ইফালে সিফালে চাওঁতে দেখিলে, এগৰাকী বৃদ্ধাই কুৱাৰ পৰা পানী তুলিছে। কালিদাসে তেওঁৰ কাষলৈ গৈ, খাবলৈ পানী অলপ খুজিলে। বৃদ্ধাই পানী দিবলৈ মান্তি হ'ল কিন্তু প্ৰথমে তেওঁৰ পৰিচয় বিচাৰিলে- ' তুমি কোন'? নিজৰ পৰিচয় দিয়া। কালিদাসে ভাবিলে, তেওঁ নিজে যিহেতু ইমান বিদগ্ধ পণ্ডিত, এই সাধাৰণ বৃদ্ধাক নিজৰ পৰিচয় দিয়াটো সমীচিন বুলি নাভাবি কলে "মই এজন ভ্ৰমনকাৰী"। কিন্তু বৃদ্ধাই তপৰাই কৈ উঠিল, "তুমি ভ্ৰমনকাৰী হব নোৱাৰা, কাৰন এই বিশ্ব দৰবাৰত মাথো দুজন ভ্ৰমনকাৰী আছে; সূৰ্য্য আৰু চন্দ্ৰ। দুয়ো একেলগে উঠা নাম কৰে আৰু চিৰদিনেই ভ্ৰমণ কৰে"।

'কোন তুমি'? পিয়াহত আতুৰ কালিদাসে কলে, 'ঠিক আছে, মোক এজন আলহী বুলিয়েই ভাবি লওক'।

লগে লগেই বৃদ্ধাই কৈ উঠিল, "পুত্ৰ, তুমি আলহী হব নোৱাৰা। এই পৃথিৱীত আলহী মাত্ৰ দুজনেই আছে, -যৌৱন আৰু ধন সম্পদ- দুয়ো অস্থায়ী। হাজাৰ মিনতি কৰিলেও দুয়ো নাথাকে বাবে এই দুজন হে আলহী"।

'কোন তুমি, কোৱাচোন'। পিয়াহ লাগিছে কিন্তু বৃদ্ধাৰ জ্ঞানৰ ভাণ্ডাৰ মুকলি হোৱা দেখি কালিদাসে কলে- "মাতৃ, মই এজন সহনশীল ব্যক্তি"। বৃদ্ধাই কলে "তোমাক দেখিলে তো সহণশীল যেন নালাগে" ! এই পৃথিৱীত মাথো দুজনেই হে সহণশীলতাৰ অৰ্থ জানে। সেয়া হৈছে ভূমি আৰু বৃক্ষ। কতদিন তুমি ভূমিতেই থিয় দি, ফল পাৰিবলৈ গছলৈ ফৰ্মুটি দলিয়াই আছিলা, তথাপি দুয়ো তোমাক নীৰৱে প্ৰতিপালন দি নাথাকে জানো ?

'কিন্তু কোৱাচোন তুমি কোন'? পিয়াহত মুখ শুকাই যোৱা কালিদাসে এইবাৰ কিছু ৰুক্ষতাৰে কলে- "ঠিক আছে, ধৰি লওক, মই এজন অনমনীয় জেদী পুৰুষ"।

বৃদ্ধাই হাঁহি হাঁহি কলে "ও হো, তুমি ইমান জেদিও নোহোৱা। এই ধৰাত মাত্ৰ দুটা জেদী বস্তু আছে— আমাৰ নখ আৰু চুলি। কাটিয়েই থাকিবা, আকৌ গজি আহিব"।

ইমান সময়ে কালিদাসে ধৈৰ্য্য ধৰিয়েই আছিল। এইবাৰ কিছু উষ্ম সুৰত তেওঁ কলে, "ঠিক আছে, মোক মূৰ্খ বুলিয়েই ধৰি লওক"। বৃদ্ধাই এইবাৰ খোলা হাঁহি এটা মাৰি কৈ উঠিল- "এই পৃথিৱীত মাথো দুই ধৰণৰ হে মূৰ্খ আছে; -কিছুমান ৰজা, কোনো ধৰণৰ জ্ঞান নোহোৱাকৈ যিবোৰে দেশ শাসন কৰে আৰু আছে মন্ত্ৰী, যি নিজ স্বাৰ্থ সিদ্ধিৰ বাবেই এই অপদাৰ্থ ৰজা সকলৰ অনৰ্থক প্ৰশংসা কৰি থাকে"!

'কোন তুমি'- বৃদ্ধাই পুনৰাই

(আঠপৃষ্ঠাত চাওক)

# বানৰ তাণ্ডৱ

ময়ূৰাক্ষী গগৈ



বাৰিষাৰ প্ৰৱল বৃষ্টিপাতে সৃষ্টি কৰিছে
ভয়ঙ্কৰ বানপানীৰ।
নৈ সমূহৰ পানী ফেনে ফোটোকাৰে বাঢ়ি
ধাৰণ কৰিছে কালৰূপৰ।
পানীৰ সোঁতে লৈ গৈছে সকলো,
চকুৰ পচাৰতে উটি গৈছে
সপোনৰ ঘৰখন।
ৰাষ্টা-ঘাট পানীৰ তলত থকাত
যাতায়তো বিছিন্ন হৈ পৰিছে।
নগৰৰ কৃত্ৰিম বানপানীত
নগৰবাসীয়ে নৰকযন্ত্ৰণা ভুগিছে।
নগৰীয়া আভিজাত্য যেন
হেৰাই গৈছে।
প্ৰাণৰ মায়াত নিৰাপদ স্থানলৈ
ঢাপলি মেলিছে।
কি আচৰিত !
পানীয়েই প্ৰাণ, অথচ
পানীয়েই আকৌ মৰণৰো বাট।



জনতাৰ চৰকাৰ
my GOV
मेरी सरकार
NEW ASSAM
Heralding Peace Fuelling Progress
সফলতাৰ সোপানেৰে
এবছৰীয়া যাত্ৰা
প্ৰতিশ্ৰুতি এখন নতুন অসম গঢ়াৰ
জনতাৰ সেৱাত নিৰন্তৰ যাত্ৰা আমাৰ
JANASANYOG-1006/22
Register at
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us
/@diprassam
https://dipr.assam.gov.in/

৪ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 19 June, 2022

# কৃতজ্ঞতাৰ সুবাস

**কবিতা শৰ্মা , দিল্লী**




কৃতজ্ঞতা ! মাত্ৰ ছাৰিটা বৰ্ণৰ সমষ্টিৰে সৃষ্টি হোৱা এক সুমধুৰ শব্দ ! যি শব্দত নিহিত হৈ থাকে -- এক সুন্দৰ মানবীয় গুণ। আমাৰ সকলোৰে জীৱনলৈ নিশ্চয় এনে কিছুমান মুহুৰ্ত্ত আহে যেতিয়া আমি অন্য কোনোবা ব্যক্তিৰ সহায় সহযোগিতা লব লগীয়া হয়। তেনেবোৰ মুহুৰ্ত্ততে আমি আমাৰ আত্মীয়-স্বজন, ওচৰ চুবুৰীয়া, বন্ধু বান্ধবী, আনকি কেতিয়াবা কোনো অপৰিচিত ব্যক্তিৰো সহায় লাভ কৰো । তেওঁলোকৰ উপকাৰে আমাৰ জীৱন কৰি তোলে ধন্য। জীৱনৰ এই মুহুৰ্তবোৰতে আমি লাভ কৰো জীৱনৰ সুখময় অভিজ্ঞতা। হৈ পৰো অতিশয় আনন্দিত আৰু পুলকিত। তেতিয়াই আমাৰ মুখৰ পৰা স্বতঃস্ফূৰ্ত ভাবে ওলাই আহে এটা সুমধুৰ শব্দ... "ধন্যবাদ" যিটো শব্দই জনোৱা আৰু পোৱা দুয়োজনৰে হৃদয়লৈ বোৱাই আনে এক সুবিমল আনন্দ .... যাৰ সুবাস যেন সৰ্বত্ৰ বিয়পি পৰে....

কৃতজ্ঞতাৰ ভাষা যিয়েই নহওক লাগিলে সেই ভাব উৎপন্ন হব লাগে অন্তৰৰ গভীৰতাৰ পৰা। হব লাগে নিঃস্বাৰ্থ আৰু মধুৰতাৰে ভৰা । ইয়াক অনুভব কৰিবলৈ লাগে সুগভীৰ জীৱনবোধ। সুন্দৰ এখন হৃদয়তহে সম্পৃক্ত হৈ থাকে কৃতজ্ঞতাৰ অস্তিত্ব। সাধাৰণ প্ৰাপ্তিতো যিজনে কৃতজ্ঞতাবোধ প্ৰকাশ কৰিব পাৰে তেওঁৰ হৃদয় বিশাল। অন্য মানুহৰ তুলনাত সেইজনেই উপভোগ কৰিব পাৰে জীৱন আনন্দৰ অধিকাংশ। কৃতজ্ঞতাৰে সিক্ত হৈ একোজন মানুহ হৈ উঠে সুখী আৰু মহান । দম্ভ, দ্বেষ আৰু অহং বোধত আচ্ছন্ন হৈ থকা এখন হৃদয়ে কেতিয়াও কৃতজ্ঞতাৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব নোৱাৰে। ই এনে এক সম্পদ যাক টকা পইচা বা ধন সম্পত্তিৰে জুখিব নোৱাৰি। মানুহৰ সকলো আবেগৰ ভিতৰতে ইয়েই হ'ল আটাইতকৈ সুস্থ আবেগ।

কিন্তু আমাৰ ভিতৰত কিমানজনে বাৰু আনৰ সহায় বা উপকাৰৰ বিনিময়ত কৃতজ্ঞ হওঁ ? আমাৰ কৃতজ্ঞতা আমি অকপটে প্ৰকাশ কৰিব পাৰোনে ? আমাৰ সমাজত সঘনাই দৃষ্টিগোচৰ হোৱা কথাটো হ'ল ?

*(দহ পৃষ্ঠাত চাওক)*

# সচাঁকৈয়ে চিন্তনীয়

সহকাৰে লৈ ৰাইজৰ লগত আলোচনা আৰু সহযোগিতাৰ মাধ্যমেৰে এই সমস্যাটোৰ সমাধান ৰ কল্পে এক স্থায়ী সমাধান ৰ ব্যৱস্থা গ্ৰহণ কৰক। এই দিশত বিশেষভাৱে পাৰদৰ্শী ব্যক্তিৰ লগত সুচিন্তিত পৰামৰ্শ আৰু কাৰ্য্যব্যৱস্থাৰে আগবাঢ়ক। সকলোৱে উপলব্ধি কৰকচোন গণতন্ত্ৰত ৰাইজেই ৰজা গতিকে ৰাইজৰপঁন্যতম সুখ দুখ, নিৰাপত্তা ৰ কথা চিন্তা কৰা আৰু পদক্ষেপ গ্ৰহণ কৰাটো প্ৰতিগৰাকী জনপ্ৰতিনিধিৰ সৰ্বপ্ৰথম দ্বায়িত্ব।

# The Arrogance

সুধিলে। কালিদাসে উপলব্ধি কৰিলে যে, একোকে নজনা বুলি ভবা এই বৃদ্ধা গৰাকী সাধাৰণ মহিলা হবই নোৱাৰে।

সম্পূৰ্ণৰূপে শ্ৰদ্ধাত কালিদাসৰ শিৰ নত হৈ পৰিল। অতি বিনম্ৰতাৰে তেওঁ বৃদ্ধাৰ ভৰিত দীঘল দি পৰি কবলৈ ধৰিলে-"মোক ক্ষমা কৰক মাতৃ, নিজৰ ওপৰতে মোৰ ধিক্কাৰ হৈছে, নিজকে মই বহু জ্ঞানী বুলি ভাবিছিলো, মোৰ দোষ হৈছিল, মোক দয়া কৰক আৰু পানী এটোপা খুৱাওঁক"। এইবুলি কৈ কালিদাসে সেই বৃদ্ধাৰ ভৰি স্পৰ্শ কৰিলে আৰু যেতিয়া তেওঁ ঠিয় দিলে -কাক দেখিলে তেওঁ? সেয়া আছিল- জ্ঞান আৰু প্ৰজ্ঞাৰ দেৱী মা সৰস্বতী ! তেওঁ কলে, "কালিদাস, তুমি জ্ঞানী কিন্তু প্ৰকৃত মনুষ্য হবলৈ হলে তুমি নিজক প্ৰথমে চিনি পাব লাগিব, তোমাৰ অহমিকা (ego) ই তোমাৰ সফলতাৰ ওপৰত বাধা ; তুমি শিক্ষিত কিন্তু তোমাৰ দাম্ভিকতাও কম নহয়। সেয়েহে মই তোমাক বাট দেখুৱাবলৈ আহিছো। প্ৰকৃত মনুষ্যৰ পৰিচয় কেৱল বিভিন্ন বিষয়ৰ জ্ঞান থকাতো নুবুজায়- কিন্তু তেওঁৰ বিনম্ৰ স্বভাৱে হে বুজায়। তোমাৰ বুদ্ধিমতা বা শিক্ষাৰ কোনো মূল্য নাই, যদিহে ই তোমাৰ দাম্ভিক আৰু আত্মশ্লাঘা ৰ কাৰন হয়।

# গ্ৰাম্য পৰিবেশ, বাৰিষাৰ

আক্ৰান্ত নিগনিৰ পেচাব হল এই ৰোগৰ উৎস। এই ৰোগৰ দ্বাৰা কুকুৰ, গাধ, ঘোৰা, জন্তুৰ পোৱালী আদিও আক্ৰান্ত হব পাৰে।

বাহিৰৰ চৌপাশৰ লগতে ঘৰৰ ভিতৰখন যাতে সেমেকা নহয় তাৰ বাবে লক্ষ্য ৰখা উচিত। সঘনাই হোৱা বৰষুণৰ বাবে ঘৰৰ ভিতৰখন বিশেষকে কেচা মজিয়াৰ ঘৰখন চেচুক হলে তাত বিভিন্ন পোক-পৰুৱাই বাহ লব পাৰে আৰু বিভিন্ন বেমাৰৰ উৎসও হব পাৰে। পাকঘৰটো পৰিস্কাৰ কৰি ৰখাতো অতি জৰুৰী খোৱাবস্তুৰ দ্বাৰা যাতে কোনো ধৰণৰ ৰোগৰ সংক্ৰমণ নহয় তাৰ প্ৰতি চকু ৰখা উচিত। খোৱাবস্তু ভালদৰে পৰিপাটিক ৰাখিব লাগে আৰু ৰন্ধা বস্তু ঢাকনি দি ৰাখিব লাগে। পাকঘৰৰ অদৰকাৰী পেলনীয়া জাবৰ জোথৰ এটা ঢাকনি থকা পাত্ৰত থৈ গাত খান্দি তাতে পুতি থব লাগে, ইয়ে পিচলৈ পচন সাৰ হব। গ্ৰাম্য অঞ্চলত বহুতে ঘৰত গৰু, ছাগলী, কুকুৰা আদি পোহে বহুতে আকৌ ব্যৱসায় ভিত্তিত গাহৰিৰ ফাৰ্ম বা কুকুৰা ফাৰ্ম আদিও থাকে, জীৱজন্তু থকা এই ঘৰবোৰো পৰিস্কাৰ কৰি ৰখাতো আতি প্ৰয়োজন, বহুতে গোবৰ বা জন্তুৰ মলমূত্ৰ আদি দম কৰি ঘৰৰ কাষতে থয় । সেয়া এটা সময়ত সিচৰিত হৈ পৰে আৰু বাৰিষাৰ পানীয়ে ইয়াৰ পৰাই বেমাৰৰ বীজানু বিয়পায় । বহুতে আকৌ জন্তুবোৰৰ মল,(গোবৰ আদি) পেচাব আদি ওচৰৰ পুখুৰীত বা নলাত পেলাই দিয়ে । তেনে কৰা উচিত নহয়। নিজৰ ব্যক্তিগত চাফ-চিকুনতাও অতি দৰকাৰী। পৰিস্কাৰ পৰিছন্ন হৈ থাকিলে মনটোও ভাল লাগে আৰু বহুতো ৰোগৰ বীজানু আমাৰ হাতদুখনৰ পৰাই মুখলৈ যায় । সেইবাবে হাতদুখন পৰিস্কাৰ কৰি ৰখাতো অতি প্ৰয়োজন। বিশেষকে যিবোৰ ৰোগ পানীৰ দ্বাৰা বা মাটিৰ দ্বাৰাও (যেনে হাকোটা,পেলু) আদি সংক্ৰমিত হয়। খোৱাৰ আগতে, খোৱাৰ পিচত কোনো বস্তু স্পৰ্শ কৰাৰ পিচত, পায়খানাৰ পৰা অহাৰ পিচত হাতদুখন চাবোনেৰে ভালদৰে ধুব লাগে। এইবাৰ কভিডৰ সময়ত হাতদুখন সঘনাই ধুই থকাৰ ফলত পানীৰ দ্বাৰা বিয়পা বহুতো ৰোগৰ পাদুৰ্ভাৱ কমিছে। সৰু সৰু ল'ৰা ছোৱালীৰ হাতদুখন সঘনাই ধুই থাকিব লাগে কাৰণ হাতদুখন যিকোনো বস্তু চুই পুনৰাই মুখত দিব পাৰে । বিশেষকে মাটি বা গছগছনি আদি চুই মূখত দিলে তাৰ পৰাই, বিভিন্ন ৰোগৰ দ্বাৰা আক্ৰান্ত হব পাৰে । বিশেষকে হাকোটা পেলুত সংক্ৰমন এনেদৰে হয় আৰু সেইবাবে সৰু ছোৱালীক প্ৰতিষেধক টিকা সমূহ সময়মতে দিয়াৰ ওপৰিও পেলুৰ প্ৰতিষেধক বোৰক সময়মতে দিব লাগে। গাধুবলৈ ব্যৱহাৰ কৰা পানীও পৰিস্কাৰ হব লাগে । চালৰ বিভিন্ন ৰোগ অপৰিস্কাৰ পানীৰে গাধোৱাৰ ফলত হয় । বিশেষকে বাৰিষাকালত পানী দূষিত হোৱাৰ সম্ভাৱনা বেছি থাকে আৰু এই সময়চোৱাত বিভিন্ন চালৰ ৰোগীৰ সংখ্যাও বাঢ়ে। নিজৰ ব্যক্তিগত চাফচিকুনৰ বাহিৰেও ঘৰৰ ভিতৰখন ঘৰৰ চৌপাশ চাৰিওফালৰ সৰু নলা আৰু ওচৰৰ ঠাই আৰু পদুলি পৰিস্কাৰ কৰি ৰখাৰ উপৰিও ইয়াৰ লগত স্বাস্থ্যসন্মত খাদ্য গ্ৰহণ, পৰিমিত ব্যায়ামৰ দ্বাৰা আমি নিজকে কেৱল বাৰিষাৰ সময়তে নহয় যিকোনো সময়তে নিজকে বহুতো ৰোগৰ পৰা আতৰাই ৰাখিব পাৰিম ।

# গুৱাহাটী মহানগৰীৰ বানপানী

বিগত দিনত কংগ্ৰেছ আৰু সাম্প্ৰতিক সময়ত বি জে পি চৰকাৰে গুৱাহাটী মহানগৰীৰ বানপানী সমস্যাৰ সমাধান কৰিবলৈ বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰিছে । অসম মন্ত্ৰী সভাত গুৱাহাটী উন্নয়ণ বিভাগ নামৰ এটি বিভাগ থকাৰ উপৰিও গুৱাহাটী পৌৰ নিগমেও বহুতো প্ৰচেষ্টা হাতত লৈছে। গুৱাহাটী মহানগৰীৰ মাজমজিয়াত থকা বিভিন্ন পথ, উপপথ সমূহৰ দাঁতিত অতিৰিক্ত পানী ওলাই যাবলৈ নলাৰ ব্যৱস্থাও আছে। কিন্তু বৰষুণৰ দ্বাৰা সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ পানী নিষ্কাসন কৰিবলৈয়ো সেই নলাবোৰ কামত নহা পৰিলক্ষিত হৈছে। কাৰণ অলেখ। এই ক্ষেত্ৰত অসম চৰকাৰ আৰু গুৱাহাটী পৌৰ নিগমৰ তৰফৰ পৰা এই কৃত্ৰিম বানপানী ৰোধ কৰিবলৈ অপদ্ধতিগত ভাবে গ্ৰহণ কৰা আঁচনিবোৰ যিদৰে দায়ী, সেই দৰে গুৱাহাটী মহানগৰীত বাস কৰা বাসিন্দা সকল, যধে মধে গঢ়ি উঠাবহু মহলীয়া অট্টালিকা আৰু কল কাৰখানাবোৰো সমানেই দায়ী। অসম চৰকাৰ আৰু গুৱাহাটী পৌৰ নিগমে গুৱাহাটীনগৰী বাসীৰ জীৱণ ধাৰণ প্ৰক্ৰিয়াত সৃষ্টি হোৱা জাবৰ-জোঠৰ পেলাবলৈ ৰাস্তাই ঘাটে স্থাপন কৰা ডাষ্টবিন বোৰ পৰিপাটিকৈ পৰিচালনা আৰু ব্যৱহাৰ নকৰা লগতে কল কাৰখানা বোৰে সৃষ্টি কৰা পেলনীয়া সামগ্ৰী সমূহৰ দ্বাৰা পানী নিষ্কাসনৰ বাবে তৈয়াৰ কৰা নলাবোৰত ইয়াৰ বিপদজনক ভাবে পাৰ্শ্বক্ৰিয়া হৈছে। ফলস্বৰূপে নলাবোৰে পানী নিষ্কাসন কৰিব নোৱাৰা হৈছে আৰু বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ সকলো স্থানতে কৃত্ৰিম বানপানীয়ে জনজীৱন বিপৰ্যস্ত কৰি তোলা দেখা গৈছে। সদ্য মুহূৰ্তত গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানীৰ সমস্যাক লৈ কিছুমান দল, সংগঠনে ৰাজনীতি কৰাও দৃষ্টিগোচৰ হৈছে। এনে সুবিধাবাদীৰ ৰাজনীতিৰ দ্বাৰা গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানীৰ সমস্যা কিয় আন কোনো ধৰণৰ সমস্যাৰেই সমাধানৰ পথ নোলায়। বৰঞ্চ এনে ধৰণৰ প্ৰক্ৰিয়াই সমস্যাটিক জীয়াই ৰখাত পৃষ্ঠোষকতা কৰে আৰু ৰাজনৈতিক নেতা আৰু দল সমূহহে উপকৃত হোৱা ভৱিষ্যতলৈ পৰিলক্ষিত হ'ব। গুৱাহাটী মহানগৰী বাসীৰ এনে ভয়াবহ দুখ, দুৰ্গতিৰ দিনত অসম চৰকাৰ তথা বিভাগীয় মন্ত্ৰী, আমোলা সকলে গুৱাহাটী মহানগৰীত সাম্প্ৰতিক সময়ত বাস কৰি থকা অভিজ্ঞতা পুষ্ট বিভিন্ন বিভাগৰ অভিযন্তা সকলৰ সৈতে আলোচনা কৰি তাৎকালিন ভাবে এই সমস্যাটিৰ সমাধান কৰা ব্যৱস্থা গ্ৰহণ কৰাটি বাধ্যতামূলক ভাবে কৰণীয় হৈ পৰিছে। সকলোৱে চিন্তা কৰা জৰুৰী যে গুৱাহাটী মহানগৰী স্তব্ধ হৈ পৰা মানে অসমেই নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল স্তব্ধ হৈ পৰা। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানীৰ সমস্যা সমাধানৰ সৈতে মহানগৰীখনক বাসস্থান হিচাপে গ্ৰহণ কৰা সংশ্লিষ্ট বিষয় সম্পৰ্কত মেধা সম্পন্ন ব্যক্তিত্ব বোৰকহে জৰিত কৰা উচিত । তেনে নকৰি কেৱল ঠিকাদাৰিত্বৰ ওপৰত এৰি দিলে এই বিৰাট সমস্যা সঠিক সমাধানৰ দিশত কেতিয়াও আগবাঢ়ি নাযায়। গুৱাহাটী মহানগৰী বাসীয়ে এই কৃত্ৰিম বানপানীৰ সমস্যাৰ সমাধানৰ বাবে কেৱল অসম চৰকাৰ আৰু গুৱাহাটী পৌৰ নিগম, মন্ত্ৰী, বিধায়ক আৰু সাংসদক দোষাৰোপ কৰিলেই তেখেত সকলৰ দায়বদ্ধতা সমাপ্ত নহয় আৰু এই জ্বলন্ত সমস্যাটিও সমাধান নহয়। এই কৃত্ৰিম বানপানীৰ সমস্যা সমাধান কৰিবলৈ তেখেত সকলৰ লাগিব নিজস্ব ধ্যান ধাৰণা, সমাজসেৱা মূলক মানসিকতা আৰু চৰকাৰী আঁচনিবোৰ কাৰ্যসম কৰি ৰাখিবলৈ অক্লান্ত সহযোগিতা। ইয়াৰ অন্যথা গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানীৰ সমস্যা কিয় আন কোনো সমস্যাৰেই সমাধান কোনেও আশা কৰিব নোৱাৰে।

# বিয়লি বেলাৰ উপহাৰ

নাম জ্বলা বিজ্ঞানী ড° ৰমেশ চন্দ্ৰ গুপ্তা। সাত বছৰমান আগতে তেওঁ লোক মুম্বাই লৈ আহি নিগাজিকৈ থাকিবলৈ লয়। সৰুৰে পৰাই অনুসন্ধিৎসু মনৰ ৰমা পঢ়া-শুনাত অতি ভাল। স্কুলত দিয়াৰে পৰা সি কোনোদিনেই দ্বিতীয় হোৱা নাই। ৰমাক লৈ তেওঁৰ বুকুখন গৌৰৱত ওফন্দি উঠে। জনা হোৱাৰে পৰা দেউতাকৰ সতে বিজ্ঞানৰ বিভিন্ন কথা আলোচনা কৰা ৰমাৰ বাবে পঢ়া-শুনাই একমাত্ৰ। তাৰ লগতে আয়ত্ব কৰিছে সংস্কাৰ-সংস্কৃতি, মূল্যবোধৰ শিক্ষাও। কানপুৰ IIT পৰা ৰবটিক্স ইঞ্জিনিয়াৰিঙত এম.টেক্ .ডিগ্ৰী লৈ ৰমা উৰা মাৰিলে জাৰ্মানীলৈ। নিজৰ সপোনবোৰৰ পম খেদি খেদি ৰমা এজন আগশাৰীৰ ইঞ্জিনিয়াৰ হ'লগৈ। উদ্ভাৱন, গৱেষণা পত্ৰ, ছেমিনাৰ, কনফাৰেন্স, আৰ্টিফিচিয়েল ইনটেলিজেন্স, ৰবটিক্স--এইবোৰৰ মাজতেই আৱদ্ধ সি। অন্য একো ভাবিবলৈ আহৰি নাই। সুমিত্ৰাৰ সুখত অসহ্য অনুভৱ কৰা এচাম মানুহে কেতিয়াবা কয়, --'উৰিল আৰু তোমাৰ ল'ৰা, ক'ত আৰু মাক-বাপেকলৈ মনত পৰিব এতিয়া--!' কিবা এটা অবুজ দু:চিন্তাই সুমিত্ৰাৰ মনটো চুই নোযোৱাকৈ নাথাকে। কিন্তু, তেওঁৰ বহু হেঁপাহৰ প্ৰাপ্তি ৰমা তেনে নহয়। তেওঁৰ বিশ্বাস হাজাৰ ব্যস্ততাৰ মাজতো সি মাক-দেউতাকৰ খবৰ ল'বলৈ নাপাহৰে। ভি. ডি, অ. কল কৰে, কোনদিনা ক'ত কিমানখন ছেমিনাৰত বক্তৃতা দিলে, কিমান ঠাইত সাক্ষাৎকাৰ প্ৰদান কৰিলে, গৱেষণাৰ কাম কিমান সফল হ'ল, কিমান বিফল হ'ল, সৰু ল'ৰাৰ দৰে মাক-দেউতাকক জনায়। তাৰ সেইখিনি কথাৰেইযে মাক-দেউতাকক বহুত সুখী কৰিব পাৰি সেইয়া সি জানে। পুত্ৰ, স্বামীৰ সৈতে সুমিত্ৰাৰ সুখৰ সংসাৰখন যিকোনো ঈৰ্ষাকাতৰ মানুহক অশান্তি দিব পৰাকৈ সুষম আছিলে। কিন্তু মানুহ নিয়তিৰ অধীন। তিনিবছৰৰ আগতে হৃদৰোগত আক্ৰান্ত হৈ তেওঁৰ স্বামীৰ মৃত্যু হ'ল। মুম্বাইৰ এই বিশাল এপাৰ্টমেণ্টটোত আনৰ পৰিচৰ্যাত অকলশৰে কটাইছে সুদীৰ্ঘ তিনিবছৰ। বিয়লিৰ এই অকলশৰীয়া প্ৰতিটো পল কিমান কষ্টকৰ সেইয়া আজি-কালি বৰকৈ অনুভৱ কৰে তেওঁ। অতীতত কম্পিউটাৰ, স্মাৰ্ট ফোনৰ স্ক্ৰীণত সোমাই থকা স্বামী, পুত্ৰৰ মুখকেইখনৰ সতে আৰু কিমান সময় কটাব! -ল'ৰাটোৰে পঢ়াৰ বাহিৰে একো চিন্তা নকৰে'-বুলি গৌৰৱ কৰা সুমিত্ৰাৰ বাবে এতিয়া সিয়ে চিন্তাৰ কাৰণ হৈছে। সেই প্ৰতিটো পৰীক্ষাতে অনুষ্ঠানৰ টপাৰ হোৱাৰ গৌৰৱ এতিয়া তেওঁক নালাগে। অকলশৰীয়া জীৱনত তেওঁক লাগে নাতি-নাতিনীৰে ভৰা পুতেকৰ এখন সংসাৰ। পুতেকে দেখোন বিয়াৰ নামেই লোৱা নাই, সিফালে সি পঁয়ত্ৰিশৰ দেওনা পাৰ কৰে কৰে এতিয়া। ফোনত কেইবাবাৰো তেওঁ কৈছে--'ছোৱালী পচন্দ কৰি থৈছ যদি ক' নহলে মইয়ে চাও'। ৰমাই মাকক সিফালৰ পৰা কয়-'তুমি কষ্ট কৰিব নালাগে, কেইদিনমান ৰোৱা, মই একদম তোমাৰ নিচিনা ছোৱালী এজনী বনাই আছো। মৃতপ্ৰায় প্ৰাণত যেন তেওঁ অকণমান শান্তি বিচাৰি পায়। অন্তৰৰ আনন্দকণ এটি মৃদু হাঁহি হৈ সৰি পৰে লাহেকৈ। নানা যোগ-বিয়োগৰ মাজত সোমাই পৰে সুমিত্ৰা। পুতেকৰ জীৱন বৃত্তৰ পৰিধিৰ বাহিৰত তেওঁ। সি বনাই লোৱা বৃত্তৰ ভিতৰলৈ এতিয়া তেওঁ জুমি চাব নোৱাৰে। পুতেকৰ আমেৰিকা, জাৰ্মানীৰ গৱেষণা প্ৰতিষ্ঠান, চেমিনাৰ, নতুন আৱিষ্কাৰ--এইবোৰ শুনিবলৈ তেওঁৰ মন নোযোৱা হৈছে। তেওঁ বুজি পোৱা নাই বিশ, ত্ৰিশজনীয়া বিজ্ঞানীৰ দলটোৰে এনে কি উদ্ভাৱনত লাগিছে যে তেওঁৰ ল'ৰাটোৰে সংসাৰ কৰিবলৈ ও সময় নাপায়। প্ৰযুক্তি বিদ্যাই ওচৰ চপাই অনা পৃথিৱীৰ মানুহবোৰ পৰস্পৰৰ পৰা আঁতৰি গৈছে। মানুহবোৰ যেন একোটা জীৱন্ত যন্ত্ৰ। তথাপি বিজ্ঞানৰ অৱদানক উলাই কৰিব নিবিচাৰে তেওঁ। মাত্ৰ বিচাৰে বিজ্ঞানৰ পাদুৰ্ভাৱত যাতে মানৱ মনৰ সৰু অথচ প্ৰয়োজনীয় অনুভূতি বোৰ নোহোৱা হৈ নাযাওক। কি হ'ব যদি যন্ত্ৰবোৰেই এদিন পৃথিৱীখন চলাবলৈ ধৰে---কিমান পৰ কথাবোৰ ভাবিলে তেওঁ! --হাতৰ চাহ কাপ ঠাণ্ডা হ'লে। ৰঙা বেলিটিয়ে সাগৰৰ বালিত থুতৰি থৈ কিবা ভাবিছে যাবৰ পৰত। ফোন বাজিল--'মা মই পাঁচমান বজাত ঘৰ পাই যামগৈ। তোমালৈ বোৱাৰী এজনীও আনিছো লগত--'। উস্ কি কয় এই ল'ৰাটোৱে! অলপ পৰৰ পাছতে দুৱৰ বেল বাজিল। উধাতু খাই ওলাই গ'ল সুমিত্ৰা। সমুখত তেওঁৰ নয়নৰ মনি বিজ্ঞানী পুতেক ড° ৰমেশ গুপ্তা। লগত এজনী দিপলিপ সুন্দৰী ছোৱালী। আৱেগত উঠলি উঠা মনটোৱে যেন সমস্ত ভাষা পাহৰি পেলালে। মাথো সাৱটি ধৰি পুতেকক চুমা বৰ্ষণ কৰিছে। চকুৰ নিয়ন্ত্ৰণ বিহীন পানীৰে অকলশৰীয়া মাতৃৰ বুকুৰ আনন্দ, বেদনাৰ সংমিশ্ৰিত তৰংগবোৰ বিজুলী গতিৰে প্ৰবাহিত কৰিছে কিজানি পুতেকৰ বুকুলৈও।--'মা, এই উৰ্বশী-'। লগে লগে উৰ্বশীয়ে হাত জোৰ কৰি নমস্কাৰ জনালে। সুমিত্ৰালৈ চাই এটি মিচিকীয়া হাঁহি মাৰিলে। প্ৰাণহীন এটা ধুনীয়া হাঁহি। পিন্ধনত চেলোৱাৰ -কামিজ। কলেজেত পঢ়ি থাকোঁতে সুমিত্ৰা ও সাইলাখ তাইৰ নিচিনাই আছিল।--বিয়াখন পাতি আনিব পৰা হ'লে তেওঁ বেছি সুখী হ'লহেতেন--বাৰু হওঁক, ল'ৰাই যি ভাল দেখিছে এতিয়া তেওঁ তাতেই সন্তুষ্ট। উৰ্ব্বশীক মূৰত হাত ফুৰাই আশীৰ্বাদ দিলে। সুমিত্ৰাই সিহঁতৰ বাবে খোৱাৰ যোগাৰ কৰিলে। আঁৰ চকুৰে পুতেকক লক্ষ্য কৰিছে --অলপ খীণাল, দুই-এডাল চুলি পকিছে, চকুদুটা সোমাইছে। গৱেষণাৰ নামত সি কিমানযে ত্যাগ, কষ্ট কৰিছে--! 'উৰ্ব্বশীক চাহ খাবলৈ মাত আকৌ -"মা তাই এতিয়া বোলে একো নাখায়। ভাগৰত আহিছে। অলপ শুইছে। আমিয়েই খাও, কথাও পাতো আহা'। --বোৱাৰী জনী ঘৰখনলৈ আহিয়েই শুলেহি! কথা এষাৰো পতা নাই--! বহুত কথাই মনৰ মাজত অগা-দেৱা কৰিলেও সুমিত্ৰা পুতেকৰ সতে বহিল কথা পাতিবলৈ। বহুত সঞ্চিত দুখ, নিঃসঙ্গতাক আজি ৰমাই নাটকীয় ভাবে সুখেৰে সজাই তুলিছে। এই খিনিলৈকে তেওঁ কিমান আশাৰে বাট চাইছিল--। দুসপ্তাহৰ ছুটি। এই দিনকেইটাত সুমিত্ৰাই হিয়া উজাৰি মৰম কৰিছে পো-বোৱাৰীক। তাৰ মাজতে সুমিত্ৰাই লক্ষ্য কৰিছে-বোৱাৰী জনীৰ আদৱ-কায়দাবোৰ অলপ বেলেগ ধৰণৰ। আচহুৱা। ৰমা প্ৰায় সময়তেই তাইৰ লগে লগে থাকে। কথা পাতিবলৈ মন নকৰে, - সোধাটোৰহে উত্তৰ দিয়ে। কথা কোৱাৰ ধৰণ, সুৰ, হঁহাৰ ধৰণ সকলোবোৰ --! মুখলৈ একেথৰে চাই থাকে। খাবলৈ দিলে ৰমাই ক্ৰমলৈ লৈ যায়। বেলেগ বেলেগ কথা শুধি চাইছে তেওঁ। উত্তৰবোৰ ঠিকেই দিয়ে। একো নাই। অনবৰতে গৱেষণা গাৰত সোমাই থকাৰ বাবে চাগৈ তাই তেনে হৈছে। যাবলৈ ওলাল ৰমা। মাকক সাৱটি ধৰিলে-'ভালে থাকিবা মা। উৰ্ব্বশীক তোমাৰ লগত থৈ যাম।' আবেগ, আনন্দ, উৎকণ্ঠাত হাঁহিব খোজা ওঠদুখন আধা মেলখোৱাকৈ মুখখনৰ ভিতৰতে বৈগ'ল। চকুত এটা বিস্ফোৰক চাৱনি -'মোৰ বাৰু সহায় হ'ব, কিন্তু তোৰ সংসাৰখন--?' 'তুমি চিন্তা নকৰিবা মা! তাইক সকলো শিকাই-বুজাই আনিছো। মাজে মাজে তোমাৰ প্ৰেচাৰটো জুখি থাকিব, দৰৱ-পাতি সময়মতে দি থাকিব, আৰু যি সহায় লাগে কৰিব পাৰিব। তাতে তাই গানো গাব জানে। তোমাৰ ভাল লাগিব। -'কিন্তু তোৰ কি হ'ব? ' তুমি চিন্তা নকৰিবা মা। মই এনেকুৱা কেইবাজনীও উৰ্ব্বশী বনাইছো। এই জনী তোমাক উপহাৰ দিলোঁ। ৰবটবোৰ তুমি ভবাৰ দৰে নহয়। ইহঁত সম্পূৰ্ণ মানুহৰ দৰেই-।

# তুমি সোণাৰু হৈ ফুলিছা মোৰ হৃদয়ত..


**নন্দেশ্বৰ মিলি, টীয়ক**



এতিয়া সোণাৰু হৈ তুমি গজিছা
মোৰ হৃদয়খনক হালধীয়া কৰি
চপৰা চপৰাকৈ মৰমবোৰ খহাই নি
আধালিখা দস্তাবেজৰ জোৰা টাপলি মাৰি
শূন্যতাৰ অংক পূৰাবলৈ।
বীজগণিতৰ সূত্ৰ নহয় দে
তোৰ দুচকুত কাৰাচাজি মাৰি
আপোনসত্ত্বৰ নীলা চিয়াঁহী বিচাৰি ফুঁৰিবলৈ
কল্পনাৰ সাগৰত ডুবাই ৰাখি
চঞ্চলতাৰ মনটো স্থিৰ কৰি
তোৰ আশাত চেঁচাপানী ঢালিবলৈ।
তুমি সোণাৰু হৈ ফুলিছা যেতিয়া
ফুলি থাকক মোৰ হৃদয়ত
হেঁপাহৰ আৱেগৰ পৰশত
জী উঠক এটি সেউজ সেউজ
লগা ভাৱনা।

# শব্দ

**পুলিন ডেকা,গুৱাহাটী**



ওৰণি টানি নামি আহিছিল এজাক বতাহ
ওঁঠত দেওলগা গধূলি
প্ৰেমত তলমলাই থকা জীৱনৰ কঠীয়াতলীত
অহৰহ বাজি আছে এটা শব্দ
এদিন এই শব্দটো ক'ৰ পৰা গৰখীয়া ল'ৰাজনে
আনিছিল নাজানো
কত বাৰিষা গ'ল প্ৰমিকযুগলৰ খোজত
কিন্তু তোমাৰ আৰু মোৰ মাজত
শব্দটো অহা-যোৱা কৰাৰ দিনৰে পৰা
এখন নদী হেৰাল
চৰাইজনীৰ মাতত গজি উঠিল
এখন অৰণ্য
বুকুৰ মাজত গঢ় লোৱা এটা যাত্ৰাপথত
পুৱতি নিশা শুনো সেই শব্দৰ নিৰ্জনতা
বাটৰুৱা ধূলিৰ গান
নগ্ন সময়ৰ নিলাজ চাৱনিত ডুব যোৱা
চকুহালত শতাব্দীৰ পোহৰ
বাজি আহিছে তোমাৰ মোৰ গান হৈ
সেই শব্দৰ চাকনৈয়া ।
বহু কবিৰ শব্দত থৰ লাগি ৰৈ আছে
সেউজ শিলত পোত খোৱা জাৱণি
মোৰ আঙুলি কঁপিছে নৈৰ শব্দৰদোপালপিটা বৰষুণত
এটি ৰণুৱা ঘোঁৰাৰ শীতলতম ছাঁত
নামি আহিছে পাহাৰখনৰ চকুপানীৰ
কেইটামান ৰহস্যময় আলাপ।

# এটা আশ্চৰ্যকৰ যাদুঘৰ

ইলোৰা ভাগৱতী

যি জাতিয়ে অতীতক জীয়াই ৰাখিব জানিছে, সেই জাতিয়ে ভৱিষ্যতকো সুৰক্ষিত কৰি ৰাখিব পাৰিছে । নিজৰ ইতিহাসৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব নজনা জাতিৰ ভৱিষ্যৎ সদায়ে বিপদাপন্ন হৈ পৰে । পশ্চিমীয়া সভ্যতাৰ জাতিসত্তাসমূহলৈ আমি যদি চাওঁ, দেখিম ইতিহাসক তেওঁলোকে মূল্য দিব পাৰিছে বা সংৰক্ষিত কৰি ৰাখিব পাৰিছে বাবেই আজি তেওঁলোক মানৱ সভ্যতাৰ অগ্ৰগামী। কিদৰে অতীতৰ স্মৃতিচিহ্নবোৰ সংৰক্ষিত কৰি ৰাখিব পাৰি, অতীজৰ পুথি-পাঁজিবোৰ নতুনকৈ ছপা কৰিব পাৰে- ইতিহাস সংৰক্ষণৰ এনেবোৰ অনুশীলনে তেওঁলোকক কৰি তুলিছে অপ্ৰতিদ্বন্দ্বী। ইংৰাজসকলৰ কথাই ধৰা যাওক, ভাৰতক শাসন কৰা সময়ছোৱাত তেওঁলোকে নিজৰ স্মৃতিচিহ্নসমূহতো সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিলেই ভাৰতীয় জাতিসমূহৰ ঐতিহাসিক মূল্যবান স্মৃতিচিহ্নসমূহো লৈ গ'ল তেওঁলোকে। কহিনুৰ- হীৰাৰ পৰা অসমীয়া বৃন্দাবনী বস্ত্ৰলৈ। এইবোৰ তেওঁ ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰি ৰাখিলে যাতে মানৱ ইতিহাসৰ কোনো তথ্য হেৰাই নাযায় । ইয়াৰ বিপৰীতে এনে ইতিহাস সচেতনতাৰ বাহুকৈয়ে অভাৱ অসমীয়া জাতিৰ । সৰু সৰু ঐতিহাসিক স্মৃতিচিহ্নসমূহৰ কথাতো বাদেই, পুৰণি মঠ-মন্দিৰ বা ৰজাদিনীয়া স্থাপত্য ভাস্কৰ্যসমূহকে আমি সুৰক্ষা দিব নিবিচাৰো। এইবোৰৰ চৰ্চা কৰাতো দূৰৰ কথা। পিচে অসমীয়া জাতিৰ এনে অসচেতনতা আৰু অদূৰদৰ্শিতাৰ বিপৰীতে দুৰ্লভ বড়া এগৰাকী ব্যতিক্ৰমী ব্যক্তি। বড়া শিল্পী মানুহ, দেহৰ সিৰাই সিৰাই সৃষ্টিশীলতাৰ তেজ। এগৰাকী সুনিপুণ ভাস্কৰ্য শিল্পীৰূপে তেওঁৰ পৰিচিতি দশোদিশে বিয়পিছে । শিৱসাগৰৰ ৰংঘৰ আৰু তলাতল ঘৰৰ সমীপস্থ কাৰেং বৰদুৱাৰমুখত অৱস্থিত তেওঁৰ এক আশ্চৰ্যকৰ যাদুঘৰ 'উত্তৰণ যাদুঘৰ'। ব্যক্তিগত উদ্যোগত একক চেষ্টাৰে ২০০৮ চনৰ জানুৱাৰীত বড়াই গঢ়ি তোলা এইটো উত্তৰ-পূবৰ ভিতৰতে প্ৰথম বিজ্ঞানসন্মত পৰিকল্পিত ব্যক্তিগত যাদুঘৰ । বড়াৰ প্ৰতিভা বহুমুখী । অভিযন্তাৰূপে চৰকাৰী চাকৰিজীৱী হ'লেও তেওঁৰ বিচৰণ সৃষ্টিশীলতাৰ পৃথিৱীত । তেওঁ একাধাৰে গৱেষক, স্থাপত্যবিদ, ভাস্কৰ্য শিল্পী, চিত্ৰকৰ আৰু লেখক। দুৰ্লভ বড়াৰ জন্ম শলগুৰি মৌজাৰ কহাৰ গাঁৱত। এটি সংস্কৃতিৱান পৰিয়ালত জন্ম বড়াই সৰুৰে পৰা শিল্প সাধনাত ব্ৰতী হৈ আহিছে । নিজৰ গাঁঠিৰ ধন ভাঙি গঢ়ি তোলা এই বিৰল যাদুঘৰটোত বিগত কেইবা শতিকাৰ অমূল্য বয়বস্তু সংৰক্ষণ কৰা হৈছে । স্বাভাৱিকতে যাদুঘৰটো এটি নিৰ্ভৰযোগ্য গৱেষণা কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে । কেৱল বয়- বস্তুৰেই নহয়, কীট-পতংগ বা সৰু-সুৰা জীৱ-জন্তুৰো জীৱাশ্ম ৰখা হৈছে উত্তৰণ যাদুঘৰত । লাহে লাহে সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হোৱা এই যাদুঘৰলৈ নিয়মিত আহিবলৈ লৈছে বিদেশী পৰ্যটক আৰু গৱেষকো।

উত্তৰণৰ সমাজ পৰিচালনাৰ বাবে প্ৰয়োজন হোৱা প্ৰতিবিধ দিশৰেই সমল সংগৃহীত হৈ আছে । বয়ন শিল্প, কৃষি, চাৰু কলা, যুদ্ধৰ আহিলা, পুথি- পাঁজি, মুদ্ৰা, বাদ্যযন্ত্ৰ, সকলো জাতি - জনগোষ্ঠীৰ প্ৰায়বিলাক সম্পদ, বিভিন্ন প্ৰজাতিৰ গছৰ গুটি, বিভিন্ন শিল, বালি, বিভিন্ন টুকুৰি, বিভিন্ন দা, মাছধৰা সঁজুলি, তাঁতশালৰ সঁজুলি, সাঁচিপতীয়া পুথি, মূৰ্তি, উত্তৰ- পূৰ্বাঞ্চলৰ বিভিন্ন লোকশিল্প, অসমৰ কেই বাশ ঐতিহাসিক পুখুৰীৰ পানীৰ নমুনা, পাহৰণিৰ বুকুত হেৰাই যোৱা পুৰণি দিনৰ বাচন- বৰ্তন, বিভিন্ন জাতি- জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰ, শতাধিকাৰো ওপৰৰ গছৰ গুটি, ভিন্নপ্ৰকাৰৰ ধানৰ থোককে আদি কৰি বহুত বস্তুৰে উত্তৰণৰ জেউতি চৰাইছে। তদুপৰি ছশ বছৰীয়া ৰাজত্বকালৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহকে আদি কৰি বহুতো ঐতিহাসিক সমলো সংগৃহীত হৈ আছে। সেইদৰেই উত্তৰণত ঔদ্যোগিক সা-সামগ্ৰী, টাইপ মেচিন, গ্ৰামোফোনৰ পৰা আৰম্ভ কৰি এশ বছৰৰো ওপৰ হ'বলৈ যোৱা চিনেমা প্ৰজেক্টৰলৈকে জিলিকি আছে । তৃতীয় মহলাৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত । এই মহলাত বিভিন্ন জনজাতিৰ কাপোৰৰ পৰা আদি কৰি পুৰণি ৰংপুৰ দেখিবলৈ পাব দৰ্শনাৰ্থীয়ে । দূৰবীণেৰে প্ৰত্যক্ষ কৰাৰ সুবিধা প্ৰদান কৰি উত্তৰণৰ পৰাই ৰংপুৰৰ প্ৰতিটো চুক চিনাকি কৰাই পৰ্যটনৰ বতৰত অনুসন্ধিৎসুসকলৰ বাবে প্ৰেৰণাৰ সমল হ'ব ।

ভাস্কৰ্যশিল্পী দুৰ্লভ বড়াদেৱক আৰ্কিটেক ইঞ্জিনীয়াৰ বুলি ক'লেও বোধকৰো বড়াই কোৱা নহ'ব। যিহেতু উত্তৰণৰ যাদুঘৰটো বড়াদেৱে নিজৰ মাটিত নিজে নক্সা বনাই নিজ হাতেৰে



ইটা, বালি, চিমেণ্ট কঢ়িয়াই টাইলছ লগাই সাজি উলিয়াইছিল। চাৰি মহলাৰ এই যাদুঘৰটো দেখিলে আচৰিত লাগে যে ইমান সুন্দৰকৈ নিজ হাতেৰে তেখেতে কেনেদৰে সাজিছে। যিহেতু যিহেতু যাদুঘৰৰ নক্সা আদি সকলো পৰিকল্পনা বড়াদেৱৰ। সেয়ে উত্তৰণৰ প্ৰতিটো অংশই বড়াদেৱৰ সংস্কৃতিবান মনৰ এজন ভাস্কৰ্যশিল্পীৰ হাতৰ পৰশৰ প্ৰতিফলন কৰে।

বড়াদেৱে চাকৰিৰ পৰা অৱসৰ লোৱা কেইবা বছৰেই হ'ল। নিজৰ মাটিত ৩৬ বছৰে নিজৰ সমস্ত গাঁঠিৰ ধন ভাঙি নিৰ্মাণ কৰা যাদুঘৰটোত কিমান টকা খৰচ হৈছে বিলি কোৱাটো অসম্ভৱ। এটা পৰিয়ালৰ অৰ্জনৰ সম্পূৰ্ণ উচৰ্গা কৰিছে যাদুঘৰটোত । কিন্তু এতিয়াও প্ৰকল্পটো সম্পূৰ্ণৰূপে নিৰ্মাণ হ'বলৈ বহুতো বাকী । চিত্ৰ-ভাস্কৰ্যৰ সংগ্ৰহালয়, প্ৰজ্ঞালয়, পুথিভঁৰাল, উকুলি-মুকুলি শিশু গৃহ, মাইহাং, ভোজনালয়, মুকলি বক্তৃতা কক্ষ আৰু নিৰীক্ষণ স্তম্ভ আদি পৰিকল্পনা আছে, কিন্তু সকলো সম্পূৰ্ণ হৈ উঠিবৰ বাবে বহুখিনি মূলধনৰ প্ৰয়োজন। চৰকাৰী সাহায্য বুলিবলৈ মাত্ৰ পঞ্চাশ হেজাৰ টকা(২০০৬)। কিছু শুভাকাংক্ষীয়ে অৰ্থ সাহায্য দিছে যদিও উত্তৰণৰ কাম সম্পূৰ্ণ কৰিবৰ বাবে অতি তাকৰ। বড়াদেৱৰ পত্নী তৰামণি বড়াই তেখেতৰ লগত ছাঁটোৰ দৰে থাকি প্ৰতিক্ষেত্ৰতে ইটা দঙাৰ পৰা টাইলছৰ নক্সা বনোৱালৈকে আদি কৰি যাদুঘৰটোৰ সকলো কামতে সহায় কৰি আহিছে। দুই পুত্ৰ আকাশ আৰু বিকাশেও বড়াদেৱৰ লগত প্ৰতিটো ক্ষেত্ৰতে সহায় কৰি আহিছে। উত্তৰণ যাদুঘৰ এজন শিল্পীৰ একক প্ৰচেষ্টাৰ এক উৎকৃষ্ট নিদৰ্শন। উত্তৰণ যাদুঘৰটোৰ স'তে এগৰাকী শিল্পীৰ ত্যাগ, প্ৰতিভা আৰু সাধনা কেনেদৰে জড়িত হৈ আছে, সেয়া নেদেখাজনে উপলব্ধি কৰাটো কঠিন। উত্তৰণ যাদুঘৰত কি আছে এবাৰ আহি চাওক আৰু যাদুঘৰটোৰ প্ৰাণদাতাজনৰ জীৱনটো অন্য ব্যক্তিসকলতকৈনো কি বেলেগ উপলব্ধি কৰক। শিল্পীগৰাকীৰ এই কৰ্মই সফল ৰূপ তেতিয়াহে লাভ কৰিব, যেতিয়া সকলোৰে উত্তৰণ যাদুঘৰৰ গুৰুত্ব উপলব্ধি কৰিব।

# কৃতজ্ঞতাৰ সুবাস

আনৰ সহায়ৰ বিনিময়ত আমি বহুতেই কৃতজ্ঞতা জ্ঞাপনৰ কথা গভীৰ ভাবে চিন্তা কৰি নাচাওঁ বা চিন্তা কৰাৰ কথা হয়তো অনুভৱেই নকৰোঁ। সেয়েহে কৃতজ্ঞতা প্ৰকাশ কৰাৰ ভাষাও বিচাৰি নাপাওঁ। ইয়াৰ মূল কাৰণটোৱেই হ'ল কৃতজ্ঞতা প্ৰকাশৰ ক্ষেত্ৰত আমাৰ নেতিবাচক ধাৰণা আমাৰ সমাজত সেয়েহে অকৃতজ্ঞ লোকৰ সংখ্যাও বৰ কম নহয়। নিজৰ জীৱনকো তুচ্ছ কৰি আগবঢ়োৱা সহায় সহযোগিতাৰ বিনিময়ত বহু সংখ্যক লোকৰে "ধন্যবাদ" এই এটা মাত্ৰ শব্দ উচ্চাৰণ কৰাৰো যেন সময় বা সদিচ্ছাৰ অভাৱ। আমাৰ প্ৰায়ভাগ মানুহৰে এটা প্ৰবৃত্তি আছে হিচাপ কৰি চলাৰ । আমি হিচাপ কৰো আনৰ কাৰণে কৰা কাম একোটাৰ বিনিময়ত আমি কি পালোঁ বা কি পাম ? আনকি ভগবানকো প্ৰাৰ্থনা কৰো কিবা পোৱাৰ মানসেৰেহে। আনৰ প্ৰতি সংবেদনশীল হোৱাৰ বিপৰীতে কেৱল মাত্ৰ নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে কাম কৰি আমি নিজকে যেন আৱদ্ধ কৰি পেলাওঁ এটা বৃত্তৰ মাজত । আৰু সেয়াই হৈ পৰে আমাৰ জীৱনৰ মূলমন্ত্ৰ। ফলস্বৰূপে সমাজ জীৱনত ইজনে সিজনৰ পৰা ফালৰি কাটি আহি সৃষ্টি হয় ব্যৱধানৰ। দিনে দিনে এই ব্যৱধান বাঢ়ি আমি হৈ পৰোঁ বিচ্ছিন্ন প্ৰায়। ইয়াৰ বিপৰীতে যেতিয়াই কৃতজ্ঞতা প্ৰকাশৰ সদিচ্ছা আমাৰ মনৰ মাজত জাগ্ৰত হয় তেতিয়াই আমি নিজেই সৃষ্টি কৰা বৃত্তৰ পৰিধি ভাঙি আনৰ বাবেও চিন্তা কৰাৰ অৱকাশ পাওঁ। আমাৰ মাজত থকা আত্মকেন্দ্ৰিক মনোভাবৰ উপশম ঘটাৰ লগতে সমাজ জীৱনত ইজনে সিজনৰ পৰা সৃষ্টি হোৱা ব্যৱধানো আতৰি যায়।

কৃতজ্ঞতা প্ৰকাশৰ ক্ষেত্ৰত বয়স বা শ্ৰেণীৰ কোনো সীমাৰেখা নাই। উপকাৰ কৰাজন বয়সত সৰুৱেই হওক বা ডাঙৰেই হওক, সমাজৰ উচ্চ বা নিম্ন শ্ৰেণীৰ লোকেই হওক, উপকাৰো সৰুৱেই হওক বা ডাঙৰেই হওঁক,কৃতজ্ঞতা জ্ঞাপনেৰে কিন্তু সন্মান নকমে, বৰঞ্চ আনৰ চকুত সন্মান বাঢ়েহে। আনকি আমি হয়তো কেতিয়াও এই কথাও ভাবি নাচাওঁ যে দৈনন্দিন জীৱনত আমাৰ পৰিয়ালৰ প্ৰতিজন ব্যক্তি - পিতৃ-মাতৃ, ভাই -ভনী, স্বামী -স্ত্ৰী, লৰা ছোৱালী, ঘৰুৱা সহায়ক বা সহায়িকাই ইজনে সিজনক কৰা সহায় সহযোগিতাৰ অবিহনে আমি বাৰু দিনটো সুকলমে পাৰ কৰিব পাৰোনে? তাৰ বাবে আমি ইজনে সিজনৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত নহয় জানো? ভাত মুঠি খাবৰ সময়ত সেই খেতিয়ক জনলৈ মনত পেলাব নোৱাৰোনে যাৰ অক্লান্ত শ্ৰমৰ বিনিময়ত আমাৰ পেট ভৰে বা সীমান্তৰ সেই অতন্দ্ৰ প্ৰহৰী জনলৈ যিজনে নিজৰ জীৱনকো তুচ্ছ কৰি আমাৰ জীৱনক নিৰাপত্তা দিয়ে । ঠিক তেনেদৰে প্ৰকৃতিয়ে অকৃপণ হাতেৰে দিয়া দানৰ বাবে প্ৰকৃতিৰ প্ৰতি, ভগবানৰ আশীষ স্বৰূপ আমাৰ জীৱনটোৰ প্ৰতি আমি কৃতজ্ঞ হব পাৰো নিশ্চয়। আমাৰ মনৰ মাজত এইদৰে কৃতজ্ঞতা প্ৰকাশৰ অভ্যাস চহ কৰিব পাৰিলেহে এই কথা আমি উপলব্ধি কৰিব পাৰিম যে, আমাৰ স্থিতিৰ প্ৰতিটো ক্ষণতে আমাৰ ঘৰখনৰ পৰা আৰম্ভ কৰি সমাজৰ সৰু বৰ সকলো শ্ৰেণীৰ মানুহৰ সহায়ৰ বাবেহে আমি এনেদৰে একোটা শান্তিপূৰ্ণ জীৱন অতিবাহিত কৰিব পাৰিছো। জীৱনৰ মূল্যবোধ তেনেদৰেহে আমি উপলব্ধি কৰিব পাৰিম আৰু এক সুখানুভূতিৰে আমাৰ জীৱন যাপন হৈ পৰিব সুন্দৰ!

বন্ধু বান্ধবী সকল, আহক আমি আমাৰ এই বহুমূলীয়া জীৱনৰ আনন্দ উপভোগ কৰোঁ ...পোৱাৰ আশাক আৰু অধিক পৰিপূৰ্ণ কৰি তোলো ... কৃতজ্ঞতা জ্ঞাপনেৰে আমাৰ জীৱনত উপকাৰ কৰা সৰু বৰ সকলো ব্যক্তিৰ উদ্দেশ্যে উচ্চাৰণ কৰোঁ এটি মাত্ৰ স্বৰ্গীয় শব্দ .... "ধন্যবাদ"।

ENGLISH NEWS SECTION

# Governor addresses 24th convocation of IIT Guwahati



Assam Governor Prof. Jagdish Mukhi said that IIT Guwahati being a premier institute of the North East should take the lead in creating an innovation culture and encourage the youth of the region to become entrepreneurs to enable themselves become job creators rather than being job seekers. Speaking at the 24th convocation at Dr. Bhupen Hazarika auditorium of IIT Guwahati here today, Governor Prof. Mukhi said, "IIT Guwahati should make all efforts to promote an innovation culture and become a hub for creating an innovation society". He further said, "As we seek to meet important development goals and build an inclusive society, the power of innovation would help us in diverse areas like health, education, food, security, energy access, environmental protection and national security". The Governor also urged upon IIT Guwahati to adopt and partner with schools for underprivileged children and contribute to the development and capacity building of the students. Referring to the vision statement of IIT Guwahati which aims at transforming the institute into a centre of excellence in education, research and innovation, he appealed to the IIT Guwahati fraternity to nurture the future leaders to serve the society at large. Prof. Mukhi also said that IIT Guwahati should also help the society accelerate its socio-economic development in various fields of human life. In this context, he said that he would appreciate IIT Guwahati if it intensely associate itself with research and education, related to medicine and help Assam in developing a world class health care ecosystem in Assam. He, however, mentioned about the MoU that government of Assam and IIT Guwahati have recently signed to set up the first-of-its kind medical research institution along with an integrated multi-speciality 350-bed hospital to "facilitate" innovation in the medical field. The Governor while appreciating IIT Guwahati said that the institute which is an offshoot of the historic Assam Accord, has made the state proud time and again with its remarkable contributions and achievements. In a short span of close to three decades, IIT Guwahati has become known for its environment of academic excellence in the entire country with its quality technical education. This institute has produced globally competitive human resources and carried out research that significantly benefitted the society. This shows the social commitment of this institute. Prof. Mukhi congratulating the passing out graduates said that convocation is an occasion to celebrate the years of hard work and dedication of the students along with the selfless support of the teachers, other stakeholders of the institution and of course the parents. Prof. Mukhi conveyed his best wishes to all the successful students who will venture into their professional world to transform the society by integrating their knowledge and skill with human values and compassion to create a better world. Quoting Father of Nation Mahatma Gandhi, Prof. Mukhi appealed to the students to become an agent of change that they wish to see in this world. Therefore, they should lead the world, be the change and make Assam India proud of their achievements, the Governor added. It may be mentioned that a total of 1605 students were awarded degrees in the convocation, including B.Tech 695, M.Tech 428, MSc 148, MA 78 and PhD 256. The Convocation programme was attended by CEO Mehta Family Foundation Rahul Mehta, Chairman, Board of Governors IIT Guwahati Dr. Rajiv I. Modi , Director, IIT Guwahati, Prof. T. G. Sitharam, members of the Board of Governors, students, their parents along with a host of other dignitaries

# World Blood Donor Day, 2022




Along with rest of the world, Assam State Blood Transfusion Council (ASBTC) observed World Blood Donor Day across the state on June 14, 2022. The state-level function was held at Sri Sri Madhabdeva International Auditorium, Kalakshetra, Guwahati. The theme of World Blood Donor Day – 2022 is "Donating Blood is an act of solidarity. Join the effort and save lives." Speaking on the occasion as Chief Guest, Principal Secretary to the Govt of Assam, Shri Avinash Joshi, IAS, said, " Most of the deaths occur due to scarcity of blood in hospitals and therefore people, especially the youngsters should come forward and donate blood voluntarily. It must be ensured at that at least no death occurs due to scarcity of blood," adding, "Human body is the only factory which produces blood and therefore every youngster should take the pledge to donate blood at least 15 times during their lifetime."He further lauded the armed forces for donating blood at frequent intervals and said that 50 per cent of the donated blood comes from the armed forces. While stressing on the theme on World Blood Donor Day, 2022, Director cum Member Secretary, Assam State Blood Transfusion Council (ASBTC), Shri Manas Nath said, "We cannot produce blood and voluntary blood donation is the only key for ensuring availability of blood in blood banks. He further said that in the year 2021-22, a total of 1,86,763 units of blood were collected and out of that 62 per cent were collected through voluntary blood donation. This year an effort would be made to increase voluntary blood donation to 75 per cent. Renowned actor and singer Deeplina Deka, in her address said, "We see and hear the stories of super heroes and today I realized that super heroes really exist and that too in the form of blood donors. They are really doing a great service to mankind." Earlier, Dr Raktim Pratim Tamuli, Secretary, National Medicos Organization (NMO) in his opening address spoke on the significance of the day and said, "Every year World Blood Donor Day is celebrated on the day of the birth anniversary of Karl Landsteiner, who discovered ABO blood groups and this day assumes significance because blood cannot be manufactured and the only way to save lives of people is through voluntary blood donation." He further said that one person can save 12 lives in a year. A blood donation camp was also organized at the venue where apart from the armed force personnel, Principal Secretary to Govt of Assam, Health & FW Deptt, Avinash Joshi, IAS, also donated blood. A total number of 22 donors who came from different parts of the state were felicitated in the event.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

৪ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 19 June, 2022

## Beauty of the Week



Arpana saikia




## Art of the Week



Satarinchi Acharjya,
Class - 9

## Photography of the Week



chyut ondoli

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286